সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,৪০ সংখ্যা,১৮ আহিন , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 40 Date of Publication- 5 October 2025 Rs. 10.00/-

## দ্বিতীয় মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন এছআইটিক ওভতাই দিলে গৰিমাই



ৰঙিলী বাৰ্ত্তাসেৱা- শিল্পী জুবিন গাৰ্গৰ দ্বিতীয় মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন পৰিয়ালৰ হাতত অৰ্পণ কৰাৰ পাছতো গ্ৰহণ নকৰিলে শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে। এছআইটিৰ সহকাৰী তদন্তকাৰী বিষয়া মৰমী দাসে চৰকাৰৰ হৈ জিএমচিএইচত ৰাজ্য চৰকাৰে দ্বিতীয়বাৰৰ বাবে সম্পন্ন কৰা শিল্পীগৰাকীৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনখন পৰিয়ালক অৰ্পণ কৰিছিল। কিন্তু প্ৰতিবেদনখন গ্ৰহণ নকৰাকৈ বিনয়েৰে তদন্তকাৰী বিষয়াৰ হাতত পুনৰ ওভতাই দিলে গৰিমা শইকীয়া গাৰ্গে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ সন্মুখত গৰিমা শইকীয় গাৰ্গে কয় যে আইনৰ কথা মই একো নাজানো। গতিকে প্ৰতিবেদনখন নল'লোঁ। যিহেতু তদন্ত এতিয়াও চলি আছে প্ৰতিবেদনৰ কথাখিনি ৰাজহুৱা কৰিলে কিবা কাৰণত চলি থকা তদন্তত ব্যাঘাত জন্মিব পাৰে। প্ৰতিবেদনখন মই ব্যক্তিগত সম্পত্তি বুলি ভবা নাই। সেইবাবে তদন্তকাৰী বিষয়াৰ হাততে ওভতাই পঠিয়াইছোঁ। তেওঁলোকৰ হাততে সেইখন থাকক। চলি থকা আইনী প্ৰক্ৰিয়াৰ ওপৰত সম্পূৰ্ণ আস্থা প্ৰদৰ্শন কৰি গৰিমা শইকীয়া গাৰ্গে পুনৰ কয় যে আইন ব্যৱস্থাত সম্পূৰ্ণ আস্থা ৰাখি মই আগবাঢ়িছোঁ। যি সময়ত য'তেই উপস্থিত হোৱাৰ কথা কোৱা হৈছে, মই তালৈকে গৈছোঁ। এছআইটিয়ে উচিত বিচাৰ যে কৰিব, সেয়া মোৰ সম্পূৰ্ণ বিশ্বাস আছে। তদন্ত লাহে লাহে হ'লেও ভালকৈ আগবাঢ়িছে। গতিকে ভাল ফলাফল পাম বুলি আশা কৰিছোঁ। তদন্ত প্ৰক্ৰিয়াক পানী নসৰকা ধৰণে আগুৱাই নিবলৈ

(দহ পৃষ্ঠাত চাওক)

## বিপিএফ-ইউপিপিএল একেলগে থাকিব নোৱাৰে, আমি সময়ত সিদ্ধান্ত ল'মঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- বিপিএফৰ জয় মানে এনডিএৰ জয় বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যৰ পিছতে বিটিচিত পুনৰ চৰকাৰ গঠনৰ প্ৰস্তুতি চলোৱা হাগ্ৰামা মহিলাৰীয়ে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ সন্মুখত এক গুৰুত্বপূৰ্ণ চৰ্ত দাঙি ধৰে। হাগ্ৰামা মহিলাৰীয়ে স্পষ্টকৈ কয় যে ৰাজনৈতিক শত্ৰু ইউপিপিএলক আঁতৰালে বিপিএফ এনডিএত চামিল হ'ব। হাগ্ৰামা মহিলাৰীৰ এনে মন্তব্যৰ পাছতে চলা ৰাজনৈতিক চৰ্চাৰ মাজতে এনডিএ মিত্ৰজোট সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স্পষ্ট মন্তব্য- বিটিচিত বিজেপি, বিপিএফ আৰু ইউপিপিএলৰ যিকোনো দুটা দলহে থাকিব চৰকাৰত।

( দুই পৃষ্ঠাত চাওক)

## প্ৰথমবাৰলৈ জাপানত মহিলা প্ৰধানমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- সূৰ্য উঠা দেশ জাপানৰ ৰাজনৈতিক ইতিহাসত সূচনা হ'ল নতুন এক অধ্যায়ৰ। ইতিহাস ৰচি জাপানত প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হ'ল ছানাই টাকাইছি। দেশখনৰ ৰাজনীতিৰ বাঘা বাঘা ৰাজনীতিকক পৰাজিত কৰি জাপানৰ শীৰ্ষ পদবীত অধিষ্ঠিত হ'ল প্ৰথমগৰাকী মহিলা। কলেজীয়া জীৱনত ড্ৰামাৰৰ পৰা

(দহ পৃষ্ঠাত চাওক)

## বিহ দিয়া বুলি শেখৰে যদি জানিছিল এই কথাটো কিয় ইমান দিনলৈ লুকুৱাই থৈছিলঃ গৰিমা



ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুত সমগ্ৰ ৰাজ্যবাসী শোকত ম্ৰিয়মাণ হৈ থকাৰ সময়তে বিশেষ তদন্তকাৰী গোটৰ সন্মুখত শিল্পীগৰাকীৰ ঘনিষ্ঠ তথা বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীয়ে দিয়া চাঞ্চল্যকৰ স্বীকাৰোক্তিয়ে সমগ্ৰ অসম উত্তাল কৰি তুলিছে। আৰম্ভণিৰ পৰাই ৰাজ্যজুৰি অগণিত গুণমুগ্ধই শিল্পীগৰাকীৰ মৃত্যু পৰিকল্পিত হত্যাকাণ্ড বুলি দাবী কৰি অহাৰ পাছত শেহতীয়াকৈ শেখৰজ্যোতি গোস্বামীৰ স্বীকাৰোক্তি সম্বলিত এছআইটিৰ বিস্ফোৰক পত্ৰখন ফাদিল হোৱাৰ লগে লগে পুনৰ প্ৰচণ্ড ক্ষোভত ফাটি পৰিছে প্ৰতিজন জুবিন অনুৰাগী। উল্লেখ্য যে এছআইটিৰ জেৰাত শেখৰজ্যোতি

(দহ পৃষ্ঠাত চাওক)

## ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথম টেষ্টত সহজ জয় ভাৰতৰ



ৰঙিলী বাৰ্ত্তাসেৱা- তিনি দিনতেই আত্মসমৰ্পণ কেৰিবিয়ান বাহিনীৰ। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন টেষ্টত ঘৰুৱা দল টীম ইণ্ডিয়াৰ হাতত পৰাজয় বৰণ কৰিলে ৱেষ্ট ইণ্ডিজে। প্ৰথম টেষ্টখনত ১৪০ ৰানত পৰাস্ত হ'ল কেৰিবিয়ান বাহিনী। এয়া হৈছে টেষ্ট ক্ৰিকেটত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতৰ তৃতীয় সৰ্ববৃহৎ জয়। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে ভাৰতৰ সৰ্ববৃহৎ জয় হৈছে এক ইনিংছ আৰু ২৭২ ৰান। আহমেদাবাদ টেষ্টত বিজয় সাব্যস্ত কৰি ভাৰতীয় দলটোৱে দুখনীয়া টেষ্ট মেচৰ শৃংখলাটোত

(দহ পৃষ্ঠাত চাওক)

# এদিনীয়া ক্ৰিকেটৰ নতুন অধিনায়ক হিচাপে শুভমন গিলক নিযুক্তি



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিবলগীয়া ভাৰতৰ এদিনীয়া আৰু টি-২০ দলটো ঘোষণা কৰে। ৰোহিত শৰ্মাই আঁতৰাই শুভমন গিলক এদিনীয়া দলৰ নতুন অধিনায়ক হিচাপে নিযুক্তি দিয়া হৈছে। অৱশ্যে অধিনায়কত্ব হেৰুৱালেও ৰোহিত শৰ্মাৰ লগতে তাৰকা বেটাৰ বিৰাট কোহলি এদিনীয়া শৃংখলাটোলৈ প্ৰত্যাৱৰ্তন কৰিছে। ইপিনে, শ্ৰেয়াছ আয়াৰক এদিনীয়া শৃংখলাটোত সহঃ অধিনায়ক হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে, তাৰকা পেচবলাৰ যশপ্ৰীত বুমৰাহক এদিনীয়া শৃংখলাটোত বিশ্ৰাম দিয়া হৈছে যদিও টি-২০ শৃংখলাটোত অন্তৰ্ভুক্ত কৰা হৈছে। আনহাতে তাৰকা পেচবলাৰ মহম্মদ ছামীয়ে অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিবলগীয়া দুয়োটা দলতে স্থান লাভ নকৰিলে। এদিনীয়া শৃংখলাটোত পেচবলাৰ হিচাপে স্থান লাভ কৰিছে হৰ্ষিত ৰানা, মহম্মদ চিৰাজ, অৰ্শদীপ সিং আৰু প্ৰসিদ্ধ কৃষ্ণই। আনহাতে, আঘাতৰ পৰা আৰোগ্য লাভ নকৰাৰ বাবে তাৰকা উইকেটকীপাৰ বেটাৰ ঋষভ পণ্ট আৰু তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ড্যিয়াক ঘোষিত দল দুটাত অন্তৰ্ভুক্ত কৰা হোৱা নাই। টি-২০ শৃংখলাটোত সূৰ্যকুমাৰ যাদৱে ভাৰতীয় (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত সাংবাদিক হিৰণ্য বৰাক আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ত এন কে টিভিৰ সাংবাদিক হিৰণ্য বৰাক দুষ্কৃতিকাৰীয়ে আক্ৰমণ কৰাত বিভিন্ন দল সংগঠনৰ লগতে এই আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱে লগতে সাংবাদিক আক্ৰমণৰ ঘটনাত জড়িতক শীঘ্ৰেই গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদানৰ দাবীত ডিব্ৰুগড় আৰক্ষী অধীক্ষক আৰু ডিব্ৰুগড় জিলাৰ আয়ুক্তক পৃথকে পৃথকে স্মাৰক পত্ৰও দিয়ে। উল্লেখযোগ্য যে শুকুৰবাৰে নিশা প্ৰায় ৯-০০ বজাত এন কে টিভিৰ সাংবাদিক হিৰণ্য বৰাক ডিব্ৰুগড় নিৰ্মালীগাওঁৰ দূৰদৰ্শন কেন্দ্ৰৰ কাষতে নতুনকৈ নিৰ্মাণ কৰা ফ্লাই অভাৰৰ সমিপত বৰাক আগুচি ধৰি আক্ৰমণ তথা শাৰীৰিকভাৱে প্ৰহাৰ কৰাৰ লগতে চোকা অস্ত্ৰৰে আঘাত কৰি মৃত্যুৰ ভাবুকি দিয়ে। এই ঘটনাত জড়িত আক্ৰমণকাৰী জনৰ নাম নিবাৰণ গগৈ বুলি জানিব পৰা গৈছে। সাংবাদিক বৰাই মুখত, বুকুত আঘাত পোৱাৰ লগতে তেওঁৰ মোবাইল ভঙাৰ উপৰিও ডিঙিত পিন্ধি থকা সোণৰ চেইন পৰ্যন্ত কাঢ়ি নিয়াৰ অভিযোগ উত্থাপিত হৈছে। আঘাতপ্ৰাপ্ত সাংবাদিক জনক ততাতৈয়াকৈ ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসা কৰাৰ পাছত ঘৰলৈ পঠিয়াই দিয়া হয় যদিও বৰ্তমান সুস্থ হৈ উঠা নাই সাংবাদিক জন। উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা, উপ-সভাপতি বিভাস দুৱৰা আৰু সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁই সহ অন্যান্য বিষয়ববীয়া তথা ডিব্ৰুগড় সাংবাদিক সকলে জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক পৃথকে পৃথকে স্মাৰক পত্ৰ প্ৰদান কৰি উচিত শাস্তিবিহাৰ দাবী জনোৱাৰ লগতে সাংবাদিকৰ নিৰাপত্তা সু-নিশ্চিত কৰাৰ বাবেও দাবী জনায়।

# জুবিন গাৰ্গৰ নামত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰিৱেশ্য কলা বিশ্ববিদ্যালয় আৰু ফিল্ম চিটি স্থাপনৰ দাবী সদৌ অসম কবি সন্মিলনৰ মুখ্যমন্ত্ৰীৰ ওচৰত আবেদন



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ নামত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন পৰিৱেশ্য কলা বিশ্ববিদ্যালয় আৰু ফিল্ম চিটি স্থাপনৰ দাবী জনাইছে সদৌ অসম কবি সন্মিলনে। এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত সংগঠনটোৰ হৈ সভাপতি ৰাজুমণি বেজবৰুৱা আৰু প্ৰধান সম্পাদক চৈয়দ পাৰভিজ হুচেইনে যুটীয়াভাৱে এই প্ৰস্তাৱ প্ৰেৰণ কৰিছে। প্ৰেৰিত পত্ৰত সংগঠন-টোৱে দুটা মূল দাবী উত্থাপন কৰিছে যে, কামৰূপ জিলাত জুবিন গাৰ্গৰ নামেৰে এখন আধুনিক ফিল্ম চিটি স্থাপন কৰা হওক। এই ফিল্ম চিটিয়ে অসমীয়া চলচ্চিত্ৰ জগতখনক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি সংগঠনটোৰ বিশ্বাস। দ্বিতীয়তে, যোৰহাট জিলাত জুবিন গাৰ্গৰ নামত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰিৱেশ্য কলা বিশ্ববিদ্যালয় স্থাপনৰ দাবী জনোৱা হৈছে। এই বিশ্ববিদ্যালয়ে সংগীত, নৃত্য, অভিনয়, চলচ্চিত্ৰ নিৰ্মাণ, ললিত কলা বিভাগ, সাংস্কৃতিক অধ্যয়ন বিভাগ, কলা ব্যৱস্থাপনা বিভাগ, প্ৰযুক্তি আৰু উদ্ভাৱনা বিভাগ, গৱেষণা আদিৰ ক্ষেত্ৰত উচ্চমানৰ শিক্ষা প্ৰদান কৰিব। পত্ৰত উল্লেখ কৰা হৈছে যে, জুবিন গাৰ্গে নিজৰ সংগীত আৰু অভিনয়ৰ জৰিয়তে কেৱল অসমতে নহয়, সমগ্ৰ উত্তৰ-পূব ভাৰত তথা দেশ-বিদেশত অসমীয়া সংস্কৃতিৰ পৰিচয় কৰাইছে সেয়েহে, সদৌ অসম কবি সন্মিলনৰ মতে, এই দুয়োটা প্ৰতিষ্ঠানে অসমৰ যুৱক-যুৱতীসকলৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ শিক্ষাৰ্থীসকলক শিল্প-সংস্কৃতিৰ ক্ষেত্ৰত স্বনিৰ্ভৰ হোৱাত সহায় কৰিব আৰু অসমীয়া সংস্কৃতিক বিশ্বপৰিমণ্ডলত প্ৰতিষ্ঠা কৰাত অৰিহণা যোগাব। সংগঠনটোৱে আশা প্ৰকাশ কৰিছে যে, মুখ্যমন্ত্ৰীয়ে এই প্ৰস্তাৱটো গুৰুত্বসহকাৰে বিবেচনা কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

# বিপিএফ-ইউপিপিএল একেলগে

সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়- ইউপিপিএল আৰু বিপিএফ এনেয়েও একেলগে থাকিব নোৱাৰে। গতিকে সময়ত আমি যি সিদ্ধান্ত ল'ব লাগে, সেয়া ল'ম। বিপিএফ, ইউপিপিএল আৰু বিজেপি একেলগে তিনিওটা দল চৰকাৰত থাকিব নোৱাৰে। দুটা দলহে চৰকাৰত থাকিব। সেয়েহে বিষয়টোক লৈ যি সিদ্ধান্ত ল'ব লাগে সেয়া আমি লৈ গৈ থাকিম। মন কৰিবলগীয়া যে বিটিচি নিৰ্বাচনৰ পাছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰিছিল যে বিজেপি যদি ক্ষমতালৈ আহে, তেন্তে বিপিএফ আৰু ইউপিপিএলক লগত লৈ চৰকাৰ গঠন কৰিব। আনহাতে নিৰ্বাচনী ফলাফল ঘোষণাৰ পাছত হাগ্ৰামা মহিলাৰীয়ে মন্তব্য কৰিছিল যে চৰকাৰ গঠনৰ ক্ষেত্ৰত বিজেপি বা আন কোন কোন ৰাজনৈতিক দল চৰকাৰত চামিল হ'ব সেয়া নিৰ্ধাৰিত হ'ব মিত্ৰজোঁট গঠনৰ ওপৰত। বিটিচি চৰকাৰ গঠনৰ পাছত পুনৰ বিষয়টো সন্দৰ্ভত হাগ্ৰামা মহিলাৰীয়ে কয়- বিজেপিক লৈ আমি চৰকাৰ গঠন কৰোঁ নে নকৰোঁ সেয়া পৰৱৰ্তী সিদ্ধান্ত হ'ব। কিন্তু তাৰ পূৰ্বেই এনডিএত বিপিএফ থাকিবলৈ হ'লে ইউপিপিএলক বাদ দিব লাগিব। চৰকাৰ গঠনৰ ক্ষেত্ৰত বিজেপি আমাৰ লগত থাকিব পাৰে বা আমি অকলেও চৰকাৰ গঠন কৰিব পাৰোঁ। এয়া হৈছে দ্বিতীয় পৰ্যায়। কিন্তু প্ৰথম পৰ্যায় হৈছে- এনডিএত ইউপিপিএল থাকিব নে বিপিএফ থাকিব। হাগ্ৰামা মহিলাৰীৰ এনে বক্তব্যৰ পাছতে বিশ্বনাথত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বিপিএফ আৰু ইউপিপিএল সকলো আমাৰ লগতে আছে। লাহে লাহে সকলো সমাধান হৈ গৈ থাকিব। এইক্ষেত্ৰত সময়ত যি সিদ্ধান্ত ল'ব লাগে সেয়া আমি ল'ম। ইফালে বিজেপিৰ দলীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি বিটিচিত ইউপিপিএল বিৰোধী আসনত বহাৰ বিপৰীতে বিজেপিয়ে হয়তো বিপিএফৰ সৈতে চৰকাৰৰ অংশীদাৰী হ'ব পাৰে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী আৰু হাগ্ৰামা মহিলাৰীৰ মাজত অচিৰেই আলোচনা অনুষ্ঠিত হ'ব। ইফালে আজি কোকৰাঝাৰত হাগ্ৰামা মহিলাৰীয়ে বিটিচিপ্ৰধান ৰূপে শপতগ্ৰহণ কৰিব। হাগ্ৰামা মহিলাৰীৰ সৈতে ৯গৰাকী পৰিষদে শপত ল'ব। এই অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্য সচিব ৰবি কোটাৰ লগতে প্ৰশাসনিক শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব। ৰাজ্য চৰকাৰৰ মুখ্য সচিব ৰবি কোটাই নিৰ্বাচিত সদস্যসকলক গোপনীয়তাৰ শপতবাক্য পাঠ কৰাব।

# অ'চি জয়ন্ত বৰ্মনক বদলি

ৰঙিলী বাৰ্ত্তাসেৱা- জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্তই ৰাজ্যজুৰি চাঞ্চল্য সৃষ্টি কৰাৰ সময়তে হঠাতে বদলি কৰা হয় চিআইডি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জয়ন্ত বৰ্মনক। তেওঁৰ সলনি উপেন কলিতাক থানাখনৰ নতুন ভাৰপ্ৰাপ্ত বিষয়া হিচাপে দায়িত্ব প্ৰদান কৰা হৈছে। শিল্পী জুবিন গাৰ্গৰ হত্যাৰ তদন্তই বিস্ফোৰক ৰূপ লোৱাৰ সময়তে ৰহস্যজনকভাৱে জয়ন্ত বৰ্মনক বদলি কৰাক লৈ স্বাভাৱিকতে কিছু চৰ্চাৰো সৃষ্টি হৈছে। অৱশ্যে অসম আৰক্ষীয়ে এয়া সাধাৰণ বদলি বুলিহে মন্তব্য কৰিছে। ইপিনে মহানগৰীৰ সকলো থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ সৈতে চিআইডি কাৰ্যালয়ত এক বৈঠক অনুষ্ঠিত হয়।

# জুবিনৰ মৃত্যুক লৈ ৰাজনীতি নকৰিবঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যক লৈ চলি থকা তদন্তৰ মাজতে শুক্ৰবাৰে ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে জুবিন গাৰ্গক ন্যায় দিয়াৰ দায়িত্ব ৰাজ্য চৰকাৰৰ। চৰকাৰে নিষ্ঠাৰে এই দায়িত্ব পালন কৰিব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই লগতে কয়- জুবিন গাৰ্গৰ মৃত্যুক লৈ চৰকাৰৰ বিৰুদ্ধে এক ষড়যন্ত্ৰ আৰম্ভ হৈছে। একাংশই জুবিনক ঢাল হিচাপে লৈ চৰকাৰৰ বিৰুদ্ধে আৰম্ভ কৰিছে এই ষড়যন্ত্ৰ। শিল্পীগৰাকীৰ মৃত্যুক লৈ নিকৃষ্ট ষড়যন্ত্ৰ কৰাৰ বাবে এচামে চৰকাৰক লক্ষ্য কৰি লৈছে। কিন্তু চৰকাৰৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি একো লাভ নাই। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই পুনৰ কয়- জুবিনৰ মৃত্যুৰ পিছত একাংশই চৰকাৰৰ ওপৰত প্ৰতিশোধ লোৱাৰ লক্ষ্যৰে জুবিনৰ অনুৰাগী হৈ পৰিছে। উচ্ছেদ কৰাৰ বাবে যদি মোৰ ওপৰত প্ৰতিশোধ ল'ব বিচাৰিছে লওক, কিন্তু সেই প্ৰতিশোধ জুবিনৰ নাম লৈ নকৰিব। ৰাজনীতি ( নপৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে গঠন হ'ব ন্যায়িক আয়োগ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ন্যায়িক তদন্ত ঘোষণা কৰিছে। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই কথা ঘোষণা কৰি কয় যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বৰ্তমানৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াক লৈ ন্যায়িক আয়োগখন গঠন কৰা হ'ব। প্ৰথমবাৰৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক জুবিন গাৰ্গৰ মৃত্যুৰ ৰহস্যৰ তদন্তৰ বাবে এখন ন্যায়িক আয়োগ গঠনৰ বাবে চৰকাৰৰ তৰফৰ পৰা অনুৰোধ কৰা হৈছিল বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়। গঠন হ'বলগীয়া ন্যায়িক আয়োগত অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ পৰিৱৰ্তে বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা এজন ন্যায়াধীশক নিযুক্তি দিব লাগে। ৰাজ্য চৰকাৰৰ এনে অনুৰোধৰ পাছতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াক আয়োগখনৰ অধ্যক্ষ কৰাৰ বাবে অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এই সন্দৰ্ভত কয়- ন্যায়িক আয়োগ সন্দৰ্ভত যিসকলে নজৰ দি আহিছে, সেইসকলে এই বিষয়টো লক্ষ্য কৰিব যে ন্যায়াধীশ আয়োগৰ অধ্যক্ষগৰাকী সাধাৰণতে অৱসৰপ্ৰাপ্ত হয়। কিন্তু জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত কৰিবলৈ বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা ন্যায়াধীশ সৌমিত্ৰ শইকীয়াক দায়িত্ব দিয়াটো গুৰুত্বপূৰ্ণ। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে জুবিন গাৰ্গৰ মৃত্যুক লৈ যিসকলে ফেচবুক, ইউটিউব, টুইটাৰ আদিত জুবিনৰ হত্যা সন্দৰ্ভত বিভিন্ন তথ্য দাঙি ধৰি আহিছে, তেওঁলোকৰ দায়িত্ব হ'ব ন্যায়িক আয়োগৰ সন্মুখলৈ গৈ শপতনামা দাখিল কৰক। সামাজিক মাধ্যমত বিভিন্ন তথ্য দাঙি ধৰি জুবিনৰ অনুৰাগী হোৱা আৰু ন্যায়িক আয়োগৰ ওচৰলৈ গৈ সহযোগিতা কৰাসকলৰ প্ৰতি চৰকাৰে বিশেষ নজৰ দিব। সামাজিক মাধ্যমত তথ্য দাঙি ধৰা সকলে এতিয়া নিজৰ দায়িত্ব পালন কৰিব নে নাই, সেয়াও লক্ষণীয় হ'ব।

# চলিত মাহতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰিবঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই চলিত মাহতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰিব বুলি ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়- ৩৫ হাজাৰ নিকা নিযুক্তিৰে ৩৫ হাজাৰ পৰিয়ালৰ মুখলৈ হাঁহি বিৰিঙাব। আনহাতে, অহা ৭ অক্টোবৰত অৰুণোদয় আঁচনিৰ তৃতীয়ৰ ধন মোকলাই দিয়া হ'ব। বিটিচিক বাদ দি সমগ্ৰ অসমত ৩০ লাখ অৰুণোদয় হিতাধিকাৰীয়ে ১, ২৫০ টকাকৈ লাভ কৰাৰ লগতে অৰুণোদয় হিতাধিকাৰীক পৰৱৰ্তী সময়ত গেছৰ নতুন চিলিণ্ডাৰ ক্ৰয় কৰাৰ সময়ত প্ৰতিটো চিলিণ্ডাৰৰ বিপৰীতে ২৫০ টকা ৰাজসাহায্য প্ৰদান কৰা হ'ব। ইতিমধ্যে হিতাধিকাৰীসকলক ৰন্ধন গেছৰ সংযোগৰ নম্বৰ বিচাৰি প্ৰ-পত্ৰ প্ৰেৰণ কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই হিতাধিকাৰীসকলক এই প্ৰ-পত্ৰসমূহ পূৰণ কৰি প্ৰেৰণৰ বাবে আহ্বান জনায়। ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াকো উল্লেখ কৰে যে প্ৰতিশ্ৰুতি অনুসৰি অহা ৰ নৰেম্বৰৰ পৰা সুলভ মূল্যৰ দোকানসমূহত বিনামূলীয়া চাউলৰ লগতে দাইল, নিমখ আৰু চেনিও কম মূল্যত বিতৰণ কৰা আৰম্ভ কৰা হ'ব। সমান্তৰালভাৱে মহিলা উদ্যমিতা আঁচনিৰ অধীনত পুঁজি বিতৰণৰ কাম চলি থাকিব। আনহাতে, মুখ্যমন্ত্ৰীয়ে ( নপৃষ্ঠাত চাওক)

# পাকিস্তানক সকীয়নি ভাৰতীয় সেনাৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চুবুৰীয়া দেশ পাকিস্তানক কঠোৰ সকীয়নি প্ৰদান কৰিছে ভাৰতীয় সেনা প্ৰধান উপেন্দ্ৰ দ্বিবেদীয়ে। ৰাজস্থানৰ বিকানেৰ মিলিটাৰী ষ্টেচন পৰিদৰ্শন কৰি সেনাৰ মুৰব্বী জেনেৰেল দ্বিবেদীয়ে অপাৰেচন সিন্দুৰৰ প্ৰসংগৰে পাকিস্তানক সকীয়নি দিয়ে। চিৰবৈৰী ৰাষ্ট্ৰখনে সন্ত্ৰাসবাদ বন্ধ নকৰিলে মানচিত্ৰৰ পৰা হেৰাই যাব বুলি হুংকাৰ দি জেনেৰেল দ্বিবেদীয়ে অপাৰেচন সিন্দুৰ ১.০ত ভাৰতীয় সেনাই যিধৰণৰ সংযম ৰক্ষা কৰিছে পৰৱৰ্তী সময়ত পাকিস্তানে যদি সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা বন্ধ নকৰে তেতিয়াহ'লে দেশখনে ভয়াৱহ পৰিণাম ভুগিব লাগিব। (দহ পৃষ্ঠাত চাওক)

# অসম-নাগালেণ্ড সীমান্তত নগাই জ্বলাই দিলে এখন গাঁও



ৰঙিলী বাৰ্ত্তাসেৱা- অসম-নাগালেণ্ড সীমান্তৰ সৰুপথাৰ সমষ্টিৰ অন্তৰ্গত বি ছেক্টৰৰ চুঙাজান মিকিৰ ভিলেজ (এম ভি) পঞ্চায়তৰ অন্তৰ্গত টেঙাতল গাঁওত নগাই নিশা জ্বলাই দিলে এখন গাঁও। অসম সীমান্তৱৰ্তী এই গাঁওখনত এন্ধাৰৰ সুযোগ লৈ নগা দুৰ্বৃত্তই গাঁওখনৰ প্ৰায় ৯০টা ঘৰ জ্বলাই দিলে। উল্লেখ্য যে নগাই নিৰ্বিচাৰ আক্ৰমণ চলোৱা গাঁওখন সন্দেহজনক নাগৰিক অধ্যুষিত গাঁও। বৃহস্পতিবাৰে নিশা প্ৰায় ১১.৩০ বজাত গাঁওখনত অস্ত্ৰধাৰী বহু নগা দুৰ্বৃত্তই প্ৰৱেশ কৰি প্ৰথমে অঞ্চলটোত জধে-মধে নিৰ্বিচাৰে গুলীচালনা কৰে। বন্দুকৰ গুলীৰ শব্দত আতংকিত হৈ পৰে অঞ্চলটোৰ ৰাইজ। ৰাতিৰ গভীৰ টোপনিত থকা গাঁৱৰ ৰাইজে গুলীৰ শব্দ শুনি নিজৰ প্ৰাণ বচাবলৈ ঘৰৰ পৰা সমীপৰ ধাননি পথাৰ আৰু হাবিত আত্মগোপন কৰে। খবৰ অনুসৰি (দহ পৃষ্ঠাত চাওক)

# পুনৰ চলচ্চিত্ৰ মহোৎসৱত উজলিল 'অনচুনী চিখেঁ'





ৰঙিলী বাৰ্ত্তাসেৱা- ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেইবাটাও সন্মান অৰ্জন কৰা ডঃ পাৰ্থসাৰথি মহন্তৰ 'অনচুনী চিখেঁ' চুটি ছবিখনে মুম্বাইত অনুষ্ঠিত 'উত্তৰ-পূব ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ'ত তিনিটাকৈ বঁটা লাভেৰে পুনৰ অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মহোৎসৱৰ 'উত্তৰ-পূব বিশেষ শিতান'ত ছবিখনে 'শ্ৰেষ্ঠ পৰিচালক' আৰু 'শ্ৰেষ্ঠ চুটি ছবি' বঁটাৰ লগতে ভাৰতীয় শাখাত প্ৰসিদ্ধ অভিনেত্ৰী সীমা বিশ্বাসে 'শ্ৰেষ্ঠ অভিনেত্ৰী'ৰ সন্মান ( নপৃষ্ঠাত চাওক)

# কংগ্ৰেছৰ সৈতে শ্যামকানুৰ অধিবক্তা ৰাজ কমলৰ কোনো সম্পৰ্ক নাইঃ গৌৰৱ গগৈ



ৰঙিলী বাৰ্তাসেৱা- জুবিন গাৰ্গৰ হত্যাৰ অভিযোগত নাম সাঙোৰ খাই পৰা বহু বিতৰ্কিত সাংস্কৃতিক বেপাৰী শ্যামকানু মহন্তই নিজকে সাধু-বাদ দিবলৈ উচ্চতম ন্যায়ালয়ত ৩০ ছেপ্টেম্বৰৰ বিয়লি যি লেখ আবেদন দাখিল কৰিছিল সেই আবেদন ৰাজকমল নামৰ এজন অধিবক্তাৰ জৰিয়তে কৰিছিল আৰু অসমৰ একাংশ সংবাদ মাধ্যম আৰু সামাজিক মাধ্যমত অধিবক্তা ৰাজ কমলক কংগ্ৰেছ দলৰ সদস্য হিচাপে অপপ্ৰচাৰ চলোৱা হৈছিল। কোনে আৰু কি উদ্দেশ্যত এই অপপ্ৰচাৰ চলাইছে সেই বিষয়ে অনুসন্ধান কৰাৰ পিছত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে নিশ্চিত কৰে যে ৰাজ কমল নামৰ কোনো অধিবক্তা কংগ্ৰেছ দলৰ লগত জড়িত নহয়। আজি এক বিবৃতিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে কয়, 'শ্যামকানু মহন্তৰ হৈ ওকালতি কৰিব বুলি চৰ্চা হোৱা উচ্চতম ন্যায়ালয়ৰ অধিবক্তা ৰাজ কমল কংগ্ৰেছৰ সৈতে জড়িত নহয়। কংগ্ৰেছ দলৰ সৈতে ৰাজ কমলৰ সম্পৰ্ক নাই, সদস্য নহয়। শ্যামকানু মহন্তৰ হৈ আইনী যুঁজত অৱতীৰ্ণ হ'বলগীয়া অধিবক্তা ৰাজ কমল কংগ্ৰেছৰ নেতা বুলি প্ৰথমে কোনে বাতৰি প্ৰকাশ কৰিছিল সেই বিষয়ে ৰাইজে বিচাৰ কৰিব, ৰাইজে আলোচনা কৰা উচিত।' - শিৱসাগৰ যুৱদ'লত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ ৯১ সংখ্যক জন্মজয়ন্তীৰ অনুষ্ঠানত উপস্থিত থাকি সংবাদ মাধ্যমৰ আগত এই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে। তেওঁ এই সন্দৰ্ভত আৰু কয়, 'তদন্ত নকৰাকৈ কোনে কি স্বাৰ্থত এই বাতৰি কৰিলে সেয়া ( নপৃষ্ঠাত চাওক)

# ৰাজীৱ ভৱনত ওপজা দিনত হিতেশ্বৰ শইকীয়াক স্মৰণ



ৰঙিলী বাৰ্তাসেৱা- প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্ম শ্ৰী হিতেশ্বৰ শইকীয়াৰ ৯১ সংখ্যক ওপজা দিনত ৰাজীৱ ভৱনত বিশিষ্ট ৰাজনৈতিক নেতাজনক গভীৰ ভাৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। প্ৰাক্তন সাংসদ বলীন কুলী, ৰিপুণ বৰা আৰু আব্দুল খালেকে গুৱাহাটীৰ ৰাজীৱ ভৱনত থকা হিতেশ্বৰ শইকীয়া মণ্ডপত প্ৰয়াত নেতাজনৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি প্ৰদান কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা জ্ঞাপন কৰে। প্ৰাক্তন সাংসদ ৰিপুন বৰা আৰু বলীন কুলীয়ে হিতেশ্বৰ শইকীয়াৰ কৰ্মৰাজিৰ বিশ্লেষণ কৰি এক কঠিন আৰু জটিল পৰিস্থিতিত হিতেশ্বৰ শইকীয়াই অসমৰ উন্নয়নৰ বাবে কৰি যোৱা কামৰ এখন তালিকা ৰাজহুৱা কৰে। অসুস্থ শৰীৰেৰে অবিৰাম কষ্ট কৰি হিতেশ্বৰ শইকীয়াই কেনেদৰে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি-ফুৰি ৰাজহুৱা কাম কৰিছিল এই বিষয়েও দুয়োজন প্ৰাক্তন সাংসদে পৰ্যালোচনা কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত জ্যেষ্ঠ কংগ্ৰেছ নেতা অৰুণ তিৱাৰী, বালিকা লাহন পেগু, গোপাল শৰ্মা, দীপৰঞ্জন মজুমদাৰ, ৰামপ্ৰসাদ শৰ্মা, ৰূপক দাস প্ৰমুখ্যে লোকসকল উপস্থিত থাকে। অনুষ্ঠানৰ আঁত ধৰে মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। ইফালে, শিৱসাগৰতো আজি অনুষ্ঠিত হিতেশ্বৰ শইকীয়াৰ ওপজা দিনত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অংশগ্ৰহণ কৰে। জিলা কংগ্ৰেছৰ কাৰ্যালয়সমূহতো আজি পুৱাৰ ভাগত বন্তি প্ৰজ্বলনেৰে প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

# ফাঁচীবজাৰত ভয়ংকৰ অগ্নিকাণ্ড



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটীৰ ফাঁচীবজাৰত সংঘটিত হয় এক ভয়ানক অগ্নিকাণ্ড। ফাঁচীবজাৰৰ এখন বস্ত্ৰ বিপণীত সংঘটিত এই অগ্নিকাণ্ডত এজন লোকে প্ৰাণ হেৰুৱাবলগীয়া হয়। মৃত লোকজন উত্তৰ প্ৰদেশৰ ছলমান কুৰেশ্বি। ফাঁচীবজাৰৰ এছ এছ গলিত অৱস্থিত চাইবাৰ মাৰ্ট নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ গ্ৰাউণ্ড ফ্ল'ৰত অৱস্থিত 'বম্বে শাড়ীজ' নামৰ বস্ত্ৰ বিপণীখনত কৰ্মচাৰীৰূপে কৰ্মৰত আছিল উত্তৰ প্ৰদেশৰ যুৱকজন। শুক্ৰবাৰে পুৱতিনিশা ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ গ্ৰাউণ্ড ফ্ল'ৰত থকা দোকানখনত হঠাতে সৃষ্টি হোৱা ভয়ংকৰ অগ্নিকাণ্ডত আবদ্ধ হৈ পৰে ছলমান কুৰেশ্বি। স্থানীয় ৰাইজে সদৰী কৰা মতে, ছলমান কুৰেশ্বিসহ (দহ পৃষ্ঠাত চাওক)

# কামৰূপৰ গন্ধমৌত গুৰুজনাৰ ৫৭৭ তম্ জন্মজয়ন্তী মহোৎসৱ পালন




ৰঙিলী বাৰ্তাসেৱা- বিভিন্ন প্ৰান্তৰ লগতে কামৰূপৰ গন্ধমৌ টো শ্ৰী শ্ৰী শংকৰ-মাধৱ নহাটী সত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়, জগৎ গুৰু শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৭ তম্ জন্মজয়ন্তী মহোৎসৱ। প্ৰথম দিনা পুৱা উষা কীৰ্ত্তনেৰে আৰম্ভ কৰি সন্ধিয়া বন্তি প্ৰজ্বলন কৰে ধীৰেন নাথ আৰু চক্ৰধৰ নাথে। লগতে ভাগৱত শোভাযাত্ৰাৰ শেষত সত্ৰত ভাগৱত স্থাপন কৰে। দ্বিতীয় দিনটোতে পুৱা ৪ বজাত উষা কীৰ্ত্তন, ৬ বজাত আই সকলৰ প্ৰসংগ, ধৰ্ম পতাকা উত্তোলন কৰে গিৰিশ চন্দ্ৰ নাথ সভাপতি, শ্ৰী শ্ৰী শংকৰ-মাধৱ নহাটী সত্ৰ গন্ধমৌ। ১০ বজাত বাপ সকলৰে হৰি কীৰ্ত্তন কৰা হয়, পাঠক মহিম নাথ। সন্ধিয়া ( নপৃষ্ঠাত চাওক)

# টীয়কত দুৰ্ঘটনাত পতিত ভগামুখ আৰক্ষীৰ বাহন



ৰঙিলী বাৰ্তাসেৱা -টীয়কত সংঘটিত হৈছে এক শোকাৱহ দুৰ্ঘটনা। মহা নৱমীৰ নিশা ভগামুখ থানাৰ অন্তৰ্গত মৰিজাঁজী দগাঁৱৰ সমীপত এক পথ দুৰ্ঘটনাত ভগামুখ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সত্যেন্দ্ৰ মালাকাৰৰ মৃত্যু হয়। নিশা প্ৰায় ১০.৩০ বজাত সংঘটিত এই দুৰ্ঘটনাটোত উপ-পৰিদৰ্শক মৰমী দাসসহ আন পাঁচগৰাকী ব্যক্তি আহত হয়। স্থানীয় লোকে অৱগত কৰা অনুসৰি থানাৰ এ এছ ৩০-৯০৫৫ নম্বৰৰ বলেৰ' বাহনখনেৰে থানাৰ পৰা বনাই অভিমুখে আহি থকা অৱস্থাত মৰিজাঁজী দগাঁৱৰ সমীপত নিয়ন্ত্ৰণ হেৰুৱাই এজোপা গছত খুন্দা মাৰি কাষৰ মৰিজাঁজীত পৰি যায়। স্থানীয় লোকে ততাতৈয়াকৈ আটাইকেইগৰাকীক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ পথতেই মৃত্যু হয়। অকাল ( নপৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত বিএনএছৰ ১০৩নং ধাৰা সংযোজন এছআইটিৰ



ৰঙিলী বাৰ্তাসেৱা- ছিংগাপুৰত হত্যা কৰা হৈছিল অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গক। ঘটনাটোৰ মূল অভিযুক্ত, দালাল শ্যামকানু মহন্ত আৰু শিল্পীগৰাকীৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক চিআইডিয়ে গ্ৰেপ্তাৰ কৰাৰ পাছতে ইতিমধ্যে ৰুজু হোৱা ১৮/২৫নং গোচৰটোত ভাৰতীয় ন্যায় সংহিতা (বিএনএছ)ৰ ১০৩নং ধাৰা আৰোপ কৰাৰ লগে লগে প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুৰ দিন ধৰি অসমবাসী ৰাইজে কৰি থকা সন্দেহ ক্ৰমাগতভাৱে বাস্তৱত পৰিণত হোৱাৰ দিশে আগবাঢ়িছে। উল্লেখ্য যে শিল্পীগৰাকীৰ মৃত্যুৰ পাছতে ৰুজু হোৱা গোচৰটোত ৬১ (২), ১০৫, ১০৬ (১) ধাৰা সন্নিৱিষ্ট কৰা হৈছিল যদিও তাৎপৰ্যপূৰ্ণভাৱে এছআইটিয়ে বিএনএছৰ ( নপৃষ্ঠাত চাওক)

# অসমীয়া সমাজলৈ শংকৰদেৱৰ অৱদান

**যমুনা দুলু বৈশ্য, গুৱালকুছি**



মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম হয় ১৪৪৯ খ্ৰীষ্টাব্দত নগাঁও জিলাৰ বৰদোৱা অঞ্চলৰ আলিপুখুৰী নামৰ ঠাইত। সমাজ সংস্কাৰক গুৰুজনাৰ অৱদান অসমীয়া সমাজ ব্যৱস্থাত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ অপৰিসীম। অসমীয়া সমাজখনত সংঘটিত হোৱা বিভিন্ন কাৰ্য-কলাপ আৰু অত্যাচাৰ, ব্যভিচাৰ সমূহৰ পৰা ৰক্ষা কৰি এক শক্তিশালী ৰূপত সাংগাঠনিক ভেটি মজবুত কৰিছিল। গুৰুজনাই সকলো শ্ৰেণীৰ জাতিৰ মাজতে উচ্চ-নীচ, ভেদা-ভেদ পৰিহাৰ কৰি সমাজখনক একত্ৰিত কৰিছিল। মহাপুৰুষ জনাৰ উপসনা পদ্ধতিয়ে মনুষ্য জাতিক সংস্কাৰ হ'বলৈ শিকায়। নৱবৈষ্ণৱ ধৰ্মৰ মহিমা হৈছে পৰ্বত, সম উদাৰ, নৈতিক, মানৱতাবাদ সমাজ গঢ়াৰ প্ৰশান্তিৰে বৰভেটি স্থাপন কৰিছিল। সেইসময়তে গ্ৰাম্য সমাজখনক আকৰ্ষণ কৰিবলৈ চিহ্নযাত্ৰা নাটখনেৰে ধৰ্মৰ পাতনি মেলিছিল ।তাত তেৱাঁই বৈকুণ্ঠ পট অংকন কৰিছিল। ভক্তসকলৰ আগত ঈশ্বৰৰ গুণানু কীৰ্তন কৰি এক শৰণ ভাগৱতী ধৰ্মৰ প্ৰতিষ্ঠা কৰিছিল। যাৰ জৰিয়তে বৃন্দাৱনী বস্ত্ৰ তৈয়াৰ কৰা হৈছিল। গুৰু, দেৱ, নাম আৰু ভকত সমাজৰ সকলো স্তৰৰ লোকে পালন কৰিব পৰাকৈ নাম ধৰ্ম আৰু শ্ৰৱণ কীৰ্ত্তকেই শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল।

মানৱজাতিৰ বাহিৰেও আন জীৱকূলৰ মাজতো যেন পৰমপুৰুষ শ্ৰীকৃষ্ণ বিৰাজমান। আমি সকলো জীৱকে সমদৃষ্টিৰে চাই সন্মান কৰিব লাগে। গুৰুজনাই আমাক শিকাই গৈছে.

কুকুৰ শৃগাল গৰ্দভৰো
আত্মাৰাম ।
জানিয়া সবাকো পৰি কৰিবা
প্ৰণাম।।

আজিৰ সমাজ যুৱ প্ৰজন্মই একশৰণ ধৰ্ম গুৰুজনাৰ আদৰ্শ সমূহ শিৰণত কৰিব লাগে। সেয়েহে...

"গুৰু লাগে মই শিক্ষিত শিষ্য
জগতক জাননি দিলো,
জগতৰে গুৰু শ্ৰী শংকৰ
ঘৰতেই
অন্ধলাই নেদেখিলো
হে গুৰু শংকৰ"

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱলৈ সাহিত্য ৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা লিখা সুন্দৰ গীতি-কবিতাৰে সগুণ এক ঈশ্বৰৰ জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে একতাৰে এনাজৰীডাল নিকপকপীয়াকৈ বান্ধিছিল -- অসমীয়া জাতিৰ প্ৰাণ আছিল যে, গুৰুজনলৈ ভক্তিৰে নিবেদন কৰিছিল। তেওঁ আছিল ধৰ্মগুৰু, সমাজগুৰু, সংস্কৃতিৰ গুৰু, সাহিত্যগুৰু সেইবাবে তেওঁ গোটেই জগতৰ বাবে জগত গুৰু।

" জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ
যাকেৰি নাহিকে উপাম ।
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম ।।

মহাপুৰুষ মাধৱদেৱে গুৰুৰ নিৰ্দেশ শিৰত তুলি গুৰুজনাৰ আদৰ্শ- নীতি আৰু আধ্যাত্মিক চিন্তা-চেতনাৰে অন্তৰালত গুৰু প্ৰতি ঐকান্তিক শ্ৰদ্ধা, ভক্তি দাসত্বৰ জাতীয় জীৱনৰ প্ৰাণস্পৰ্শী নিদৰ্শন সুন্দৰকৈ প্ৰকাশ পাইছে ।


মাধৱদেৱে একান্ত সেৱক হৈ শঙ্কৰগুৰুৰ দৰ্শনত (নামঘোষা) জ্বলন্ত উদাহৰণ । ভকতিৰ একনিষ্ঠ সেৱা, গুৰুসেৱাৰ মাহাত্ম্য আৰু আদৰ্শ অমৰ কৰি ৰাখিলে। সেইবাবে গুৰুজনাই গঢ়ি যোৱা অসমীয়া সমাজ সংস্কৃতি আজিও ধৰ্ম্মৰ যোগেদি সত্য শুদ্ধ, আৰু সনাতন ধৰ্ম্ম নামধৰ্ম্মৰে প্লাৱিত হৈ আছে ।

" কিৰাত কছাৰী খাচী গাৰো, মিৰি
যবন কঙ্ক গোৱাল।
অসম মুলুক ধোৱা যে তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল।।" - ভাগৱত

অসমৰ সামাজিক গুৰুজনাৰ প্ৰভাৱ ঐশ্বৰিক ধৰ্ম্মৰ প্ৰতি মানৱতাৰ মাজত কৃষ্ণৰ প্ৰেমত আকৃষ্ট কৰিবলৈ ব্ৰাহ্মণ, শুদ্ৰ, খাচী, গাৰো, মিৰি,চণ্ডাল আদি সকলো লোকক শৰণ দি একতা ভাতৃত্ববোধেৰে সমাজখন একত্ৰিত কৰিবলৈ স্থাপন কৰিছিল। সেইজনা জগতগুৰু ধৰ্ম, দৰ্শন আদৰ্শৰ প্ৰচাৰ প্ৰসাৰ আছিল।

গুৰুজনাই ৰচিত কাব্য, অঙ্কীয়ানাট, ভক্তিতত্ব প্ৰকাশক গ্ৰন্থ, অনুবাদ মুলক গ্ৰন্থ গীত, নামপ্ৰসঙ্গৰ পুথি আদি বিশাল অমূল্য সম্পদ ৰাজি জগতত তুলনা বিহীন। এই মহান অৱদানে অসমীয়া জাতিটোক সমন্বয়ৰ জৰীৰে বান্ধি ৰখাৰ হেতু আজি অসমত বিভিন্ন সত্ৰ, গাৱে গাৱে নামঘৰ, ঘৰে, ঘৰে বেদসদৃশ, কীৰ্ত্তন, দশম, নামঘোষা, গুণমালা, ভক্তিমালা, ভক্তিপ্ৰদীপ, উত্তৰাকাণ্ড, ৰামায়ণ, ভটিমা, অমৃতমন্থন আৰু ৰত্নাৱলীকে আদি কৰি গুৰুজনাৰ আদৰ্শৰে গঢ়ি তোলা দেৱবাদ্য বিৰাজমান। গুৰু জনাৰ ঐশ্বৰিক সৃষ্টিৰ প্ৰভাৱ বিস্তাৰিত ভাৱে পৰা বাবেই অসমীয়া জাতিৰ ঘৰে, ঘৰে পুৱা- গধুলি উপাসনা হৰিনামৰ ধ্বনি, বৰগীতৰ সোঁত বব লাগিছে। সামাজিক ভাৱে নাট - গীত, ভাওনা বাদ্য আদিৰ ভকতিৰ অনুষ্ঠান প্ৰচলন হৈ আহিছে। চন্দ্ৰ, সূৰ্য থকালৈকে মনুষ্য জাতিটোৰে মহাপুৰুষ গুৰুজনাৰ প্ৰভাৱ ভকতিৰ সৃষ্টিৰ অৱদান মনত ৰাখে। এইজনা জগতগুৰু মহাপুৰুষে ১১৯ বছৰ বয়সত কোচবিহাৰৰ ভেলা মধুপুৰ সত্ৰত ইহলীলা সম্বৰণ কৰে।

# সেমেকা শাৰদীয় দুৰ্গাপূজা



**ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়**

দুৰ্গাপূজা বুলি ক'লে সকলোৰে মনবোৰ আনন্দ উল্লাসেৰে ভৰি পৰে। কোন ঠাইৰ পূজা মণ্ডপ আটাইতকৈ ধুনীয়াকৈ নিৰ্মাণ কৰিছে, সেই ঠাইৰ পূজা মণ্ডপলৈ যাবলৈ সকলো আগ্ৰহী হৈ পৰে।এইবাৰ সকলোৰে মনবোৰ যিহেতু সেমেকা দুৰ্গাপূজাস্থলীৰ পৰিৱেশো সেমেকা। জুবিন দাৰ মৃত্যুৰ খবৰটো এতিয়াও অসমবাসীয়ে সাধাৰণভাৱে মানি ল'ব পৰা নাই। সেই মৃত্যু যে স্বাভাৱিক নহয়, সেয়েহে ন্যায়ৰ পাছত দৌৰিছে। মা দুৰ্গাৰ আশীৰ্বাদত জুবিন দাৰ লগত ষড়যন্ত্ৰ কৰা আটাইকেইজন দোষীৰ শাস্তি পোৱাটোৱেই কামনা কৰিছে প্ৰত্যেক বছৰৰ দৰে এইবাৰো দুৰ্গাপূজা হৈছে। মাথোঁ আনন্দ স্ফূৰ্তিবোৰহে নোহোৱা হৈ পৰিছে। প্ৰতিখন পূজা মণ্ডপতে জুবিন দাক শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। জুবিন দাৰ কৰ্মৰাজীৰ দ্বাৰাই মানৱ সমাজত অমৰ হৈ ৰ'ব। আন বছৰৰ দৰে পূজাস্থলীত জাকজমকতা নাই। পূজা মণ্ডপৰ চাৰিওফালে দোকানেই দোকান। যি বিচাৰে খেলা বস্তুৰ পৰা মিঠাইলৈ সকলো উপলব্ধ। এইবাৰ তেনে পৰিৱেশ খুবেই নগণ্য। পূজাত এইবাৰ গান-বাজনাৰ শব্দ শুনিবলৈয়ো নাই। নিজান পৰিৱেশ মা দুৰ্গাৰ আশীৰ্বাদ ল'বলৈ অহা ভক্ত সকলৰ এটাই প্ৰাৰ্থনা জুবিন দাই অনতি পলমে ন্যায় পাওক। প্ৰকৃতিয়ো নীৰৱ হৈ পৰিছে। শৰতে সেমেকা মনেৰেই দেৱী দুৰ্গাক আদৰিছে।মানৱৰ দৰেই কহুঁৱা, শেৱালি আদিয়ে মহান ব্যক্তিক হেৰুওৱাৰ বেদনাত মৰ্মাহত হৈছে।

# বুকুৰ বিষৰ এটি গান



**প্ৰিয়াংশু প্ৰাঞ্জল, বোকাখাত**

ব্ৰহ্মাণ্ড চালাথ কৰিলোঁ
বুকুৰ বিষৰ ঔষধ এপালি বিচাৰি।
তিতা-কেঁহা, ডাল-পাতৰ
ৰস গিলিলোঁ
প্ৰলেপো লগালোঁ।
পাহাৰ-ভৈয়াম
আনকি সাগৰৰ তলিলৈকো খেপিয়ালোঁ
কিজানি বিচাৰি পাওঁ এপালি বনদৰৱ।
অনাই-বনাই
অলিয়ে গলিয়ে
বিচৰা নাই ক'ত ?
জীৱনৰ ভৰত হোৱা বুকুৰ বিষৰ ঔষধ।
জৰা-ফুকা বেজ-বেজালি।
কৰা নাই কি ?
ডাক্তৰ পৰামৰ্শ !সেয়াও হ'ল।
জাপ লাগি পৰি আছে প্ৰেছক্ৰিপশ্যন।
ভাগৰুৱা অৱস এটি ৰাতি
হেৰাই যাওঁ যেন কৰা জীৱন গতি
বতাহতে উৰি আহিল এটি গুণগুননি।
বতাহকে সুধিলোঁ,
এই মাত কাৰ ?এই সুৰ কাৰ ?
এই গান কাৰ ?
বতাহেই ক'লে, জুবিন দাৰ।
বাঢ়িব নিবিচৰা জীৱন লতিকাত
সিঁচি গ'ল এটুপি সাৰ-পানী।
অ' বতাহ,
কি নাম থ'বা এই গানৰ ?
"জীৱনৰ মহৌষধ"।

# হেৰুৱা মানুহ



মনীষা শৰ্মা, মৰিগাঁও

হেৰুৱা মানুহৰ
ভালবোৰ বৰকৈ বিয়পে।
উশাহবোৰ নোহোৱাৰ লগে লগে
বেয়াবোৰে মেলানি মাগে।
তেওঁ আছিল সেয়াই-
বহুত আছিল যেন,
সকলোৰে বাবে।
সেই বিশেষ গুৰুত্ব
তেওঁ তেতিয়াহে পায়,
জীৱন-ডিঙাৰ ব'ঠা
হেৰাই যিদিনা।
জীৱনটো থাকোতে
তেওঁৰ কথা ভাবিবলৈ
থাউনি নাপায় কেউ।
চৰম সত্য-
যিদিনা ভগৱানৰ বিচাৰ,
সেইদিনাই চাগৈ
চকুলোৰে নিজৰা বোৱাই
আপোন মানুহবোৰে
ৰ লাগি চায়।

# লক্ষ্মী দেৱীৰ

অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

ঔম বিশ্ব ৰূপস্য ভাৰ্য্যাসি পদ্মে পদ্মালয়ে সোভে।
সৰ্ব্বতঃ পাহি মাং দেৱী মহালক্ষ্মী নমোহস্তুতে।।




লক্ষ্মী দেৱী শ্ৰীকৃষ্ণৰ ভাৰ্যা ধনৰ অধিষ্ঠিতা দেৱী বুলি আমি ধৰ্মীয় গ্ৰন্থত পাইছোঁ। তেওঁৰ অনেক নাম আছে। ত্ৰিদেৱী ভিতৰত তেওঁ অন্যতম দেৱী ।

যেতিয়া স্বৰ্গৰ দেৱতা সকলে অসুৰ ৰাজ বলিৰ হাতত পৰাজয় হয় আৰু দুৰ্বাসা মুনিৰ অভিষাপত শক্তি হীন হৈ পৰে তেতিয়া দেৱতা সকল নিজৰ শক্তি লাভৰ উপাই বিচাৰি ভগৱান বিষ্ণুৰ ওচৰলৈ যায়। ভগৱান বিষ্ণুৱে অসুৰ আৰু দেৱতা সকলক লগ হৈ সমুদ্ৰ মন্থন কৰিব দিয়ে। সাগৰ মন্থন কৰোঁতে সাগৰৰ পৰা ওলোৱা অমৃত পান কৰি হেৰুৱা শক্তি ঘুৰাই পোৱাৰ লগতে অমৰত্ব লাভ কৰিব। এই ক্ষেত্ৰত দেৱতা সকলক অসুৰ সকলৰ সহায় ল'বলৈ ভগৱান বিষ্ণুৱে ক'লে.. প্ৰথম অৱস্থাত অসুৰ সকলে সন্মতি প্ৰদান কৰা নাছিল যদিও অমৰ হোৱাৰ আশাত সহযোগ কৰে । ভগৱান শ্ৰীবিষ্ণুৱে বাসুকী নাগ আৰু মন্দৰাচল পৰ্বতক সাগৰ মন্থনত সহায় কৰিব ক'লে । বিষ্ণুৱে নিজে কুৰ্ম অৱতাৰ লৈ মন্দৰাচল পৰ্বতক ধৰি ৰাখি ভাৰ সাম্য ৰক্ষা কৰে। তাৰ ফলস্বৰূপে সাগৰৰ তলিৰ পৰা বিভিন্ন মূল্যবান বস্তু, বিষ কলহ, অমৃত কলহ, লক্ষ্মী দেৱী হাতত সোণেৰে পৰিপূৰ্ণ কলচি লৈ আবিৰ্ভাৱ হয়। তেতিয়া মহাদেৱ আৰু ব্ৰহ্মাৰ কথা মতে বিষ্ণুৱে লক্ষ্মী দেৱীক পত্নী ৰূপে গ্ৰহণ। শৰতৰ পূৰ্ণিমাত সু - নিৰ্মল বাতাবৰণৰ সময়তে লক্ষ্মী দেৱীৰ আগমন হয়। গোটেই পৃথিবীত তেওঁৰ বাবেই ধনে ধানে পূৰ্ণ হয়।

# গান্ধীজীৰ দৰ্শন আৰু স্বচ্ছ ভাৰত মিছনৰ প্ৰাসংগিকতা

দ্বীপেন বৰুৱা, চৰাইদেউ



জাতিৰ পিতা মহাত্মা গান্ধী ভাৰতৰ স্বাধীনতা আন্দোলনৰ এগৰাকী অগ্ৰণী নেতা। দেশৰ স্বাধীনতা সংগ্ৰামত এজন ধৰ্মযোদ্ধা হিচাপে তেওঁৰ অৱদান অনস্বীকাৰ্য। তেওঁ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতেই নীতি, সত্য আৰু অহিংসাৰ লগতে স্বচ্ছতাৰ প্ৰতি বিশেষ গুৰুত্ব দিছিল। গান্ধীজীৰ দৃষ্টিত স্বচ্ছতা কেৱল পৰিচ্ছন্নতাৰ সীমিত অৰ্থত সীমাবদ্ধ নহয়। ই দেহ, মন আৰু সমাজৰ এক সামগ্ৰিক শুদ্ধতাৰ প্ৰতীক। তেওঁ নিজৰ জীৱনৰ দ্বাৰা দেখুৱাইছিল যে স্বচ্ছতা জীৱনৰ অবিচ্ছেদ্য অংশ। স্বচ্ছতা নোহোৱাকৈ সমাজৰ স্বাস্থ্য, নীতি আৰু উন্নয়ন একোৱেই সম্ভৱ নহয়। তেওঁ বিশ্বাস কৰিছিল যে দেশৰ স্বাধীনতাতকৈ স্বচ্ছতা অধিক গুৰুত্বপূৰ্ণ। ইয়াৰ মূল অৰ্থ হ'ল - স্বচ্ছতা প্ৰতিৰক্ষিত হলে স্বাস্থ্য সুৰক্ষিত হয় আৰু স্বাস্থ্য সুৰক্ষিত হ'লেহে জীৱনৰ গুণগত মান উন্নত হয়।

ভাৰতবৰ্ষত স্বচ্ছতাৰ ক্ষেত্ৰত গান্ধীজীয়ে অগ্ৰণী ভূমিকা পালন কৰিছিল। তেওঁ স্বচ্ছতা, অস্পৃশ্যতা আৰু স্বায়ত্বশাসনৰ মাজৰ সম্পৰ্কক খুব সুন্দৰভাৱে বিশ্লেষণ কৰিছিল। দক্ষিণ আফ্ৰিকাত থকা সময়ত তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ কলিকতা অধিৱেশনত অংশগ্ৰহণ কৰাৰ বাবে ভাৰত ভ্ৰমণ কৰিছিল আৰু দক্ষিণ আফ্ৰিকাৰ ভাৰতীয়সকলক কৰা দুব্যৱহাৰৰ কাৰণসমূহৰ বিষয়ে সকলোকে অৱগত কৰাইছিল। সেইসময়তেই তেওঁ কংগ্ৰেছৰ শিবিৰমূহত স্বচ্ছতাৰ ভয়ানক ছবি দেখা পাইছিল আৰু তেওঁ স্বেচ্ছাসেৱকসকলক এই লেতেৰাসমূহ নিজেই পৰিষ্কাৰ কৰিবলৈ কৈছিল; কিন্তু স্বেচ্ছাসেৱকসকলে নিজেই কৰিবলৈ অমান্তি হোৱাত গান্ধীজীয়ে নিজে হাতত ঝাড়ু লৈ ঠাইসমূহ পৰিষ্কাৰ কৰিছিল। সেই দৃশ্য দেখি সেইসময়ত তাত উপস্থিত থকা কংগ্ৰেছ কেডাৰসমূহে বিস্ময় প্ৰকাশ কৰিছিল। গান্ধীজীৰ আহ্বান মৰ্মেই উচ্চবৰ্ণৰ লোকসকলেও দেশৰ বিভিন্ন অংশত চাফাই কৰিবৰ বাবে দলত অংশগ্ৰহণ কৰিছিল। তেওঁৰ এই দৃষ্টিভংগীয়ে পৰৱৰ্তী সময়ত স্বাধীন ভাৰতৰ অস্পৃশ্যতা দূৰীকৰণৰ দিকদৰ্শনত আধাৰ স্বৰূপ হৈ পৰে। স্বচ্ছতাৰ দিশত গান্ধীজীৰ এই প্ৰচাৰকাৰ্যত চৰকাৰী আৰু বেচৰকাৰী সংস্থাসমূহেও যথেষ্ট অৱদান আগবঢ়াইছিল।

দক্ষিণ আফ্ৰিকাত ভাৰতীয়সকলৰ মাজত স্বচ্ছতা বৃদ্ধিৰ দিশত গান্ধীজীয়ে তীব্ৰ প্ৰচাৰ চলাইছিল। তেওঁ কৈছিল যে এটা শৌচাগাৰ এটি অতিথিশালা সদৃশ স্বচ্ছ হ'ব লাগে। তেওঁৰ দৃষ্টিত স্বচ্ছতাক তিনিটা ভাগত ভাগ কৰিব পৰা যায়- ব্যক্তিগত স্বচ্ছতা, সামাজিক স্বচ্ছতা আৰু মানসিক স্বচ্ছতা। ব্যক্তিগত স্বচ্ছতা মানে দেহ আৰু পৰিৱেশ পৰিষ্কাৰ কৰি ৰখা। মানুহৰ স্বাস্থ্য আৰু দীৰ্ঘায়ু জীৱন দেহৰ পৰিচ্ছন্নতাৰ ওপৰত নিৰ্ভৰ কৰে। সামাজিক স্বচ্ছতাৰ অৰ্থ হ'ল গাওঁ-চহৰৰ পৰিৱেশ, ৰাস্তাঘাট, পানী আৰু বায়ু পৰিষ্কাৰ কৰি ৰখা। তেওঁ গাঁওৰ উন্নয়নৰ প্ৰকল্পত শৌচাগাৰ নিৰ্মাণ আৰু পৰিচ্ছন্ন পৰিৱেশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। মানসিক স্বচ্ছতাৰ অৰ্থ হ'ল মনৰ ভিতৰত অসৎ চিন্তা, হিংসা, লোভ আদি অপবিত্ৰ ভাৱ দূৰ কৰি সত্য, অহিংসা আৰু প্ৰেমৰ মূল্যবোধ গঢ়ি তোলা।


গান্ধীজীয়ে বিশ্বাস কৰিছিল যে ভাৰতৰ বাবে সামাজিক স্বচ্ছতা আৰু ব্যক্তিগত স্বচ্ছতা বজাই ৰখাটো দেশৰ পৰা অস্পৃশ্যতা দূৰীকৰণ আৰু পশ্চিমীয়া দেশসমূহৰ আগত ভাৰতবৰ্ষ সম্পৰ্কে থকা ধাৰণা সলনি কৰাৰ ক্ষেত্ৰত অত্যন্ত প্ৰয়োজনীয়। তেওঁ লগতে স্বচ্ছতা আৰু স্বৰাজৰ মাজত থকা সম্পৰ্কৰ কথা অৱগত কৰিছিল। তেওঁৰ মতে স্বৰাজ কেৱল পৰিষ্কাৰ আৰু সাহসী লোকৰ দ্বাৰাইহে সম্ভৱপৰ হ'ব পাৰে। নাগৰিকসকলৰ মাজত স্বচ্ছতা অভিযান এখন মুক্ত আৰু বৰ্ণবিভেদহীন সমাজ গঠনৰ মূল চাবিকাঠি। গান্ধীজীয়ে এনে এখন ভাৰতৰ সপোন দেখিছিল যি ঔপনিৱেশিক শাসনৰ পৰা মুক্ত হয় আৰু স্বচ্ছ ভাৰতৰো সপোন দেখে; লগতে নিজৰ নাগৰিকৰ প্ৰতি সামাজিক ভেদভাৱৰ পৰা মুক্ত হৈ থাকে। স্বচ্ছতাৰ প্ৰতি তেওঁৰ দৃষ্টিভংগী আধ্যাত্মিক ধাৰণাৰ লগতো জড়িত। তেওঁৰ আশ্ৰমীয় জীৱনত সকলোৰে বাবে সমান দায়িত্ব আছিল। শৌচাগাৰ পৰিষ্কাৰ কৰাটো নিম্নবৰ্গীয় লোকৰ দায়িত্ব বুলি তেওঁ মানি লোৱা নাছিল। তেওঁ নিজৰ অনুগামীসকলক এই কামত জড়িত কৰি সমাজত এক নতুন চিন্তাধাৰাৰ জন্ম দিছিল। ইয়াৰ দ্বাৰা তেওঁৰ উদ্দেশ্য আছিল- যিকোনো কামক নীচ বা হীন বুলি ভাৱিব নালাগে; কাৰণ সকলো কামেই সমাজৰ বাবে সমান গুৰুত্বপূৰ্ণ।

সাম্প্ৰতিক সময়ত গান্ধীজীৰ স্বচ্ছতাৰ দৰ্শন অতি প্ৰাসংগিক হৈ পৰিছে। নগৰীকৰণ, জনবসতিৰ বৃদ্ধি, প্ৰদূষণ আৰু আৱৰ্জনাৰ সংকটত ভোগা আধুনিক সমাজত গান্ধীজীৰ আদৰ্শই পথ প্ৰদৰ্শন কৰিছে। শেহতীয়া ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ ২৪৬.৭ মিলিয়ন ঘৰৰ ভিতৰত ৫৩ শতাংশ ঘৰতেই ঘৰৰ পৰিসৰৰ ভিতৰত স্নানাগাৰৰ কোনো সুবিধা নাই। ইয়াৰ ভিতৰতো বহু কম সংখ্যকহে সাৰ্বজনীন শৌচাগাৰৰ ব্যৱহাৰ কৰে। এই শ্ৰেণীটোৰ এক বৃহৎ অংশই মুকলিত শৌচ কৰে, যি ভাৰতৰ দৰে দ্ৰুত হাৰত বৰ্ধিত অৰ্থনৈতিক ব্যৱস্থাৰ বাবে এক আশ্বৰ্যকৰ কথা। এনে এক প্ৰেক্ষাপটত ২০১৪ চনৰ ২ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই সমস্যাৰ গাঢ়তা উপলব্ধি কৰি 'স্বচ্ছ ভাৰত মিছন' নামেৰে ইতিহাসৰ সবাতোতকৈ মহত্বপূৰ্ণ স্বচ্ছতা অভিযানৰ শুভাৰম্ভ কৰে। এই মিছনৰ প্ৰধান উদ্দেশ্য আছিল শৌচাগাৰৰ ব্যৱস্থা, কঠিন আৰু তৰল পদাৰ্থসমূহৰ নিষ্কাষণ, গ্ৰামাঞ্চলৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু পৰ্যাপ্ত

(আঠপৃষ্ঠাত চাওক)


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
সত্যমেৱ জয়তে
অসম চৰকাৰ
খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগ
খাদ্য সুৰক্ষা সুনিশ্চিতকৰণৰ্থে চৰকাৰৰ অভিনৱ জনমুখী প্ৰয়াস
অক্টোবৰ- ২০২৫ত
অন্ন সেৱা দিন
১-১০ অক্টোবৰ ২০২৫
JANASANYOG- 2350/25/5-Oct-25
মুঠ পৰিয়াল
৭০,২৬,৮৭৭টা
মুঠ হিতাধিকাৰী
২,৪৪,৮৩,০৬৩গৰাকী
হিতাধিকাৰীলৈ আমাৰ আহ্বান
এই বিশেষ দিনকেইটাত সুলভ মূল্যৰ দোকানৰ পৰা বিনামূলীয়া চাউল সংগ্ৰহ কৰক
লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিন সৃষ্ট ৰচিদ সংগ্ৰহ কৰক
এই বিশেষ দিনকেইটাত
ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত
প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীৰ বাবে
৩৫ কিঃগ্ৰাঃ চাউল
অন্ত্যোদয়া অন্ন যোজনা (AAY)ৰ
প্ৰতিমাহে, প্ৰতি পৰিয়াললৈ
৫ কিঃগ্ৰাঃ চাউল
অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল (PHH)ৰ
প্ৰতিমাহে, প্ৰতিগৰাকী হিতাধিকাৰীলৈ
প্ৰদান কৰা হ'ব
সুলভ মূল্যৰ দোকানীৰ কৰণীয়
অন্ন সেৱা দিন সম্পৰ্কে ব্যাপক প্ৰচাৰেৰে হিতাধিকাৰীসকলক বাধ্যতামূলকভাৱে অৱগত কৰোৱা
অন্ন সেৱা দিনৰ প্ৰতিটো দিনত দিনজোৰাকৈ দোকান খোলা ৰখা
হিতাধিকাৰীসকলৰ প্ৰাপ্য চাউল 'অন্ন সেৱা দিন'ত সম্পূৰ্ণ বিতৰণ সুনিশ্চিত কৰা
হিতাধিকাৰীয়ে লাভ কৰা চাউলৰ বিপৰীতে e-Pos মেচিনৰ ৰচিদ (Receipt) প্ৰদান কৰা
e-KYC
এতিয়াও e-KYC প্ৰমাণীকৰণ সম্পন্ন কৰিবলৈ বাকী থকা সকলো হিতাধিকাৰীক এই অক্টোবৰ মাহৰ অন্ন সেৱা দিনৰ ভিতৰত (১ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈ) তেওঁলোকৰ e-KYC প্ৰমাণীকৰণ সম্পন্ন কৰিবলৈ অনুৰোধ জনোৱা হ'ল। e-KYC প্ৰমাণীকৰণ সম্পন্ন নকৰা হিতাধিকাৰী সকল বিনামূলীয়া চাউলৰ সুবিধাৰ পৰা বঞ্চিত হ'ব।
কোনো হিতাধিকাৰীয়ে সঠিক পৰিমাণৰ চাউল নাপালে
১৮০০-৩৪৫-৩৬১১ | ১৯৬৭
টোল ফ্ৰী নম্বৰত পুৱা ৯:০০ বজাৰ পৰা সন্ধিয়া ৬:০০ বজালৈ যোগাযোগ কৰিব পাৰিব
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam dipr.assam.gov.in
অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক

# শংকৰোৎসৱ আৰু দূৰ্গোৎসৱত ভক্তি ভাৱৰ বুলনী



হে আই মাতৃ বাপ বান্ধৱ আটাইয়ে ভক্তি ভৰা প্ৰণাম গ্ৰহণ কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ ৫৭৭তম জন্ম জয়ন্তী উৎসৱত তেৰাৰ শ্ৰীচৰণত প্ৰণিপাত জনাই লিখিবলৈ প্ৰয়াস কৰিলোঁ।

শঙ্কৰ দেৱক কৰো
নমস্কাৰ
সৰ্বলোক
গিতাকাৰী।

**নমিতা দাস,শুৱালকুছি শান্তিতোল**

"কৃপাৰ সাগৰ দৈৱকী নন্দন
শুনিও মনৰ কাম
ভকতৰ সংগ সদা নোগুচোক
মুখে তুৰা গুণ নাম"

হৰিভক্তি মহা ধৰ্ম প্ৰচাৰিলা
সমস্তে শাস্ত্ৰ বিচাৰি ।।
লোকক কৃপায়ে নানান উপায়ে
বিহিলন্ত কৃপাময় ।
কতো গীত পদ কীৰ্তনৰ ছন্দে
ভট্টিমা কতো চপয় ।।
এহিমতে নানা প্ৰচাৰ কৰিলা
লোক তাৰিবাৰ হতু ।
পৰম কৃপালু শঙ্কৰে বান্ধিলা
ইটো মহাধৰ্ম সেতু ।।
ৰামচৰণ ঠাকুৰ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই অসমত নৱবৈষ্ণৱ ধৰ্মৰ ত্ৰাণকৰ্তা, অসমীয়া জাতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰি অসমীয়াৰ জাতীয় সংস্কৃতিৰ সৃষ্টি আদি গুৰু । তেখেতৰ বহুমুখী প্ৰতিভাৰ আকাৰ স্বৰূপ। মহাপুৰুষ মাধৱদেৱৰ ভাষাত "সৰ্বগুণাকৰ যাকেৰি নাহিকে উপাম" তেখেতৰ ধৰ্ম প্ৰচাৰ, শিক্ষা, চিত্ৰ বিদ্যা, সমাজ সংস্কাৰ, সাহিত্য সৃষ্টি, সংগীত, অভিনয়, সকলো বিষয়তে অসমীয়া জাতি আৰু অসমীয়া ভাষা সাহিত্যিক জীৱনী শক্তি প্ৰদান কৰি অসমবাসীক চহকী কৰি থৈ গৈছে। তেখেতৰ অবিহণা অবিহনে অসমীয়া জাতি আৰু ভাষা সাহিত্যৰ অচিনাকী হৈ ৰল হেঁতেন।

" কীৰ্তনতে শঙ্কৰ গুৰু
ঘোষাতে মাধৱ
দুয়োজনা আমাৰ গুৰু পৰম
বান্ধৱ "


১৪৪৯ খ্ৰিষ্টাব্দত আহিন মাহৰ শুক্ল দশমিত বৰদোৱা আলিপুখুৰীত জন্ম গ্ৰহন কৰা মহাপুৰুষ গুৰুজনাৰ জন্ম উৎসৱত ঈশ্বৰৰ গুনাণু কীৰ্ত্তনেৰে গুৰু জনাৰ সৃষ্টি অমিয়া ৰসেৰে ভৰি পৰে প্ৰতিটো নামঘৰ কীৰ্ত্তনঘৰ তেৰাৰ গুনাণু কীৰ্তনৰ লগতে আই মাতৃ বাপ বান্ধৱ আটায়ে মিলি ঈশ্বৰক আৰাধনা কৰি স্বৰ্গসম কৰি তোলা হয় প্ৰতিটো অঞ্চল ।নাম ধৰ্মৰে মুখৰিত সেই অঞ্চল সমূহত গাওঁৰ ডেকা বুঢ়া লৰা ছোৱালী আটাইৰে মুখত হৰি ৰসৰ আমৃত সুৰ বিয়পি পৰে, স্বৰ্গলৈ ৰূপান্তৰিত হয় সেই অঞ্চল সমূহ।

বৰ্ষাৰ কিন্ কিনিয়া বৰষুণৰ অন্তত শৰতৰ আগমনে কঢ়িয়াই আনে নিয়ৰসনা ৰাতিপুৱাৰ তলসৰা শেৱালীৰ সুৱাস ।হালি জালি জিলমিল কৈ থকা কহুৱা বনে আহিনৰ আচলত ধৰি শৰতৰ আগমন ঘটাই । শৰৎ মানেই যেন দুৰ্গোৎসৱ। দুৰ্গতিনাশিনী দেৱী মাৰ আগমন ঘটে মহালয়াৰ পৰা। প্ৰৱাদ মতে মহালয়াৰ এই দিনটোৰ পৰাই শুভ শক্তিৰ

(বাৰপৃষ্ঠাত চাওক)

# শূণ্য হৃদয়ত বিষাদৰ সুৰ

হিমাশ্ৰী



আজি মায়াবিনী বিষাদৰ...!
আজি প্ৰতিটো সুৰ বিষাদৰ...!
আজি চিতাৰ সন্মুখত বাজি উঠা প্ৰতিটো
গানত মহানায়ক জনৰ হাহাকাৰ...!
আজি পাপু বুলি মতা সেই মাতষাৰৰ হাহাকাৰ...!
আজি গন্ডিৰ সেই অভিমান খিনিৰ হাহাকাৰ...!
আজি গন্ডি দাৰ লগত পতা সেই ঠেহ পেচ খিনিৰ হাহাকাৰ...!
মুঠতে চাৰিওফালে এক সত্তা হেৰাই যোৱাৰ হাহাকাৰ...!
নোৱাৰো কেতিয়াও মানি লব
নোৱোৰো এনে এক বিষাদ সত্য স্বীকাৰ কৰিব
নোৱাৰো তেওঁৰ চিতাৰ জুই কুৰাৰ দপদপনী চাব
যদি এনেদৰে আতঁৰিয়েই যায়
তেন্তে কিয় ইমান ভালপোৱাৰে বান্ধিছিলে?
আজি গোটেই অসম শূণ্য
আজি অসমবাসীৰ হৃদয় শূণ্য
আজি আপুনি বিচৰা অসম খন গঢ় লৈছে দাদা
আৰু চিঞৰি চিঞৰি গাইছে...
"ধুমুহাৰ স'তে মোৰ
বহু যুগৰে নাচোন
এন্ধাৰো সঁচা মোৰ
বহু দিনৰে আপোন
নিজানৰ গান মোৰ
শেষ হ'ব ভাবোঁ তোমাৰ বুকুত..."
আকৌ আহিব দেই
আমি সকলো ৰৈ থাকিম
আৰু এইবাৰ একেলগে গাম
"তোমাক দেখা পালে সপোন জাগি উঠে
বুকুখনি হয় তাজমহল...!"

# গান্ধীজীৰ দৰ্শন আৰু স্বচ্ছ

খোৱাপানীৰ সৰবৰাহৰ ক্ষেত্ৰত প্ৰতিটো পৰিয়ালকে স্বচ্ছতাৰ সুবিধা প্ৰদান কৰা। এই মিছনক দুটা ভাগত বিভক্ত কৰা হৈছিল- স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ) আৰু স্বচ্ছ ভাৰত মিছন (নগৰ)। স্বচ্ছ ভাৰত মিছন (গ্ৰামীণ)ৰ দ্বাৰা পঞ্চায়ত এলেকাসমূহত গোটা আৰু তৰল (মল-মূত্ৰ) বৰ্জনীয় পদাৰ্থৰ প্ৰৱন্ধন কাৰ্যকলাপৰ জৰিয়তে গ্ৰামাঞ্চলসমূহক উন্মুক্ত মলত্যাগ-মুক্ত কৰি স্বচ্ছতা আৰু পৰিচ্ছন্নতাৰ মান উন্নয়ন কৰিবলৈ বিচৰা হৈছিল। আনহাতে, স্বচ্ছ ভাৰত মিছন (নগৰ)ৰ জৰিয়তে নগৰাঞ্চলৰ ৰাস্তাঘাট, নিষ্কাশন ব্যৱস্থা আৰু আৱৰ্জনা পৰিচালনাৰ আধুনিকীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল।

স্বচ্ছ ভাৰত মিছনৰ জৰিয়তে ২০১৯ চনৰ ভিতৰত সম্পূৰ্ণৰূপে উন্মুক্ত মলত্যাগ-মুক্তৰ (Open Defecation Free) লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল যি গান্ধীজীৰ ১৫০তম জন্মজয়ন্তী উপলক্ষে পূৰ্বৰ তুলনাত পৰিষ্কাৰ ভাৰত গঢ়াৰ দিশে অগ্ৰগতি লাভ কৰে। তথ্য অনুসৰি এই অভিযান আৰম্ভ কৰাৰ পিছৰে পৰা দেশৰ প্ৰায় ১০ কোটিৰো অধিক পৰিয়ালৰ বাবে শৌচাগাৰ নিৰ্মাণ কৰা হয়। ২০২১ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰথম পৰ্যায়ৰ স্বচ্ছ ভাৰত মিছনক উন্নীত কৰি স্বচ্ছ ভাৰত মিছন ২.০ ঘোষণা কৰে। ইয়াৰ জৰিয়তে ১ম পৰ্যায়ত লাভ কৰা সাফল্যক স্থায়িত্ব প্ৰদান আৰু অগ্ৰগতিৰ নতুন পথত আগুৱাই নিয়াৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে -শৌচালয় নিৰ্মাণৰ পাছত সঠিক ব্যৱহাৰ, ৰক্ষণাবেক্ষণ আৰু বৰ্জ্য-পানীৰ ব্যৱস্থা নিশ্চিত কৰা, উৎসত বৰ্জ্য পৃথকীকৰণ, Reduce-Reuse-Recycle নীতি অনুসৰণ আৰু বৈজ্ঞানিক ব্যৱস্থাপনা কৰা, পুৰণি ডাম্পিং স্থানসমূহ পৰিষ্কাৰ কৰি মাটি পুনৰুদ্ধাৰ কৰা, এক লাখতকৈ কম জনসংখ্যাৰ নগৰত পানী/পায়খানা আদি আৱৰ্জনাৰ ব্যৱস্থাপনা কৰা আৰু নাগৰিকসকলক সচেতন কৰি পৰিচ্ছন্নতাৰ অভ্যাস গঢ়ি তোলা। দ্বিতীয় পৰ্যায়ৰ এই মিছনে গান্ধীজীৰ স্বচ্ছতাৰ দৰ্শনক আধুনিক ৰূপত আগবঢ়াবলৈ চেষ্টা কৰিছে। এই মিছনৰ ফলত পৰিচ্ছন্নতা এক নীতি-কেন্দ্ৰিক কামৰ পৰা জন-আন্দোলনৰ ৰূপ লৈছে। এইসমূহ তথ্যই স্পষ্টকৈ প্ৰমাণ কৰিছে যে গান্ধীজীৰ স্বপ্নক বাস্তৱায়িত কৰাৰ প্ৰচেষ্টা অব্যাহত আছে।

স্বচ্ছ ভাৰত মিছনৰ ফলত স্বচ্ছতাৰ দিশত উল্লেখযোগ্য পৰিৱৰ্তন দেখা গৈছে যদিও কিছু সীমাবদ্ধতাও আছে। কিছুমান গাঁও তথা চাহ-বাগিছা অঞ্চলত শৌচাগাৰ নিৰ্মাণ হোৱা সত্বেও ব্যৱহাৰ সীমিত। সচেতনতা যথেষ্ট নহ'লে এই প্ৰকল্প অচিৰেই অকাৰ্যকৰ হৈ পৰিব পাৰে। নগৰাঞ্চলত আৱৰ্জনা পৰিচালনাৰ আধুনিক সুবিধা আৰু যান্ত্ৰিক ব্যৱস্থাৰ অভাৱ দেখা যায়। পুনঃব্যৱহাৰ আৰু পুনঃপ্ৰচলনৰ ব্যৱস্থা প্ৰকৃত অৰ্থত গঢ়ি উঠিব পৰা নাই। তদুপৰি, কিছু ঠাইত শৌচাগাৰৰ মান নিম্ন স্তৰৰ হোৱাত সমস্যাৰ সৃষ্টি কৰিছে। গতিকে, এই মিছনক সফল কৰিবৰ বাবে শিক্ষাৰ ক্ষেত্ৰত সচেতনতা বৃদ্ধি কৰাটো অতি প্ৰয়োজনীয়। বিদ্যালয় পৰ্যায়ৰ পৰা শ্ৰেণীকক্ষত পৰিচ্ছন্নতাৰ পাঠ অন্তৰ্ভুক্ত কৰা উচিত। গাঁও পঞ্চায়ত আৰু পৌৰ নিগমসমূহে নিজৰ দায়িত্বত অধিক মনোযোগ দিব লাগিব। নাগৰিক সমাজ আৰু যুৱ সমাজৰ মানসিকতাত স্বেচ্ছামূলক সেৱাৰ মনোভাৱ গঢ়ি তুলিব লাগিব। বৰ্জ্য ব্যৱস্থাপনাৰ ক্ষেত্ৰত আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ কৰাটো সময়োপযোগী পদক্ষেপ হ'ব। লগতে নিয়মিত পৰ্যবেক্ষণ আৰু মূল্যায়ন ব্যৱস্থা সঠিক ৰূপত আগবঢ়াই নিব লাগিব।

উপসংহাৰঃ - স্বচ্ছ ভাৰত মিছন কেৱল চৰকাৰৰ অভিযান নহয়, ই প্ৰতিজন নাগৰিকৰ জাতীয় দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত। নিজ ঘৰৰ পৰা ৰাস্তা-ঘাটলৈকে, বিদ্যালয়ৰ পৰা মন্দিৰ-মছজিদলৈকে পৰিষ্কাৰ কৰি ৰখাটো সকলোৰে দায়িত্ব। এই মিছনৰ প্ৰকৃত সফলতা আমাৰ সকলোৰে সক্ৰিয় অংশগ্ৰহণ আৰু দৃঢ় সংকল্পত নিহিত হৈ আছে। বৰ্তমান সময়ত স্বচ্ছতাৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ; কাৰণ ই স্বাস্থ্য, অৰ্থনীতি আৰু পৰিৱেশৰ সতে ওতঃপ্ৰোতভাৱে জড়িত। স্বচ্ছতাক সমাজসেৱাৰ এক অংশ হিচাপে গ্ৰহণ কৰি জীৱনৰ অভ্যাসত গঢ়ি তুলিব লাগিব। গান্ধীজীৰ স্বপ্নৰ স্বচ্ছ ভাৰত গঢ়ি তুলিবলৈ প্ৰত্যেক নাগৰিকে নিজৰ দায়িত্ব স্বীকাৰ কৰিব লাগিব। তেওঁ দেখুৱাই যোৱা পথেৰে আগুৱাই গৈ নিজৰ দেহ, মন আৰু পৰিৱেশক পৰিষ্কাৰ কৰি এক গৌৰৱময়, সুস্থ আৰু সমৃদ্ধ ভাৰত গঢ়ি তুলিব পাৰিলেহে জাতিৰ পিতাৰ প্ৰতি প্ৰকৃত সন্মান প্ৰদৰ্শন কৰা হ'ব।

# জুবিনৰ মৃত্যুক লৈ

আমিও কৰোঁ, আমিও বুজি পাওঁ। জুবিনৰ প্ৰতি যদি ইমানেই মৰম আছিল, তেন্তে বাংলাদেশৰ পৰা মমতাজক সংগীত পৰিৱেশন কৰিবলৈ মাতি অনাৰ পৰিৱৰ্তে জুবিন গাৰ্গক কিয় মতা হোৱা নাছিল? তদুপৰি ২০২০ চনৰ ১৩ আগষ্টত জুবিনৰ ওপৰত আক্ৰমণ সন্দৰ্ভত তেতিয়া আপোনালোকে ফেচবুকত একো লিখা নাছিল। কিন্তু এতিয়া উচ্ছেদ কৰাৰ বাবে বিজেপিৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবেই জুবিনৰ ৰহস্যজনক মৃত্যুক এক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটো উচিত হোৱা নাই। মুখ্যমন্ত্ৰীৰ স্পষ্ট মন্তব্য- আপোনালোকে নিকৃষ্ট খেলখন খেলি থাকক। মই জুবিনক ন্যায় দিম আৰু অসমৰ জাতি-মাটি-ভেটি ৰক্ষাৰ অক্লান্ত সংগ্ৰামতো নিয়োজিত হৈ থাকিম। এয়া মোৰ প্ৰত্যাহ্বান।

# চলিত মাহতে ৩৫

শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে কাজিৰঙা এলিভেটেড কৰিড'ৰৰ বাবে অনুমোদন দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কৃতজ্ঞতা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যত ৬৯২ কোটি টকা ব্যয়সাপেক্ষে ৫০টা সৰোবৰ স্থাপন হোৱাৰ কথাও উল্লেখ কৰে। কেন্দ্ৰীয় চৰকাৰে জনোৱা এই অনুমোদন সাপেক্ষে শোণিতপুৰ, যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়, মাজুলী, মৰিগাঁও, তিনিচুকীয়া আৰু কামৰূপত এই সৰোবৰকেইটা নিৰ্মাণ হ'ব। তদুপৰি মেঘালয়ৰ পৰা গুৱাহাটী মহানগৰীলৈ নামি অহা পানীয়ে সৃষ্টি কৰা কৃত্ৰিম বান ৰোধ কৰিবলৈ ২০০ কোটি টকা ব্যয়সাপেক্ষে এক প্ৰকল্প আৰম্ভ কৰা হ'ব। মেঘালয়ৰ পানী শিলসাঁকোলৈ বোৱাই নিয়াৰ বাবে এই আঁচনি কাৰ্যকৰী কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰিলে।

# পুনৰ চলচ্চিত্ৰ

অৰ্জন কৰে। যোৱা ২৭ ছেপ্টেম্বৰত মহোৎসৱৰ সামৰণী অনুষ্ঠানত এই বঁটাসমূহ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহুকেইটা বঁটা লাভেৰে ইতিমধ্যে চলচ্চিত্ৰ জগতখনত খলকনি তুলিবলৈ সক্ষম হোৱা ড° পাৰ্থসাৰথি মহন্তৰ এই চুটি ছবিখনে চেন্নাইত অনুষ্ঠিত কল্পীউড আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত 'শ্ৰেষ্ঠ এছিয়ান চুটি ছবি'ৰ উপৰি জয়পুৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ, দিল্লী চলচ্চিত্ৰ মহোৎসৱ আৰু কলকাতাত অনুষ্ঠিত ইণ্ডিয়ান ইনডিপেণ্ডেন্ট চলচ্চিত্ৰ মহোৎসৱতো 'শ্ৰেষ্ঠ চুটি ছবি'ৰ বঁটা লাভ কৰিছিল। ড° পাৰ্থসাৰথি মহন্তই পৰিচালনা কৰা আৰু মীনা মহন্ত- ইন্দ্ৰাণী বৰুৱাই প্ৰযোজনা কৰা এই চুটি ছবিখনৰ কাহিনী ড° মহন্তৰে এটি কবিতাৰ আধাৰত ৰচনা কৰা হৈছে। ছবিখনত এককভাৱে অভিনয় কৰিছে প্ৰসিদ্ধ অভিনেত্ৰী সীমা বিশ্বাসে। অভিনেত্ৰীগৰাকীৰ বলিষ্ঠ অভিনয়ৰ যোগেদি ছবিখনত এগৰাকী যুৱতীৰ প্ৰত্যাহবানেৰেভৰা দুৰ্বিসহ আৰু কষ্টকৰ এক শক্তিশালী জীৱন যাত্ৰাক চিত্ৰায়িত কৰা হৈছে। জন্মৰ পৰা প্ৰাপ্তবয়স্কলৈ তেওঁ কিদৰে সমাজত বৈষম্যৰ সন্মুখীন হয়, তাৰ প্ৰকৃত ছবিখন ইয়াত প্ৰতিফলিত হৈছে।

# কামৰূপৰ গন্ধমৌত

৭:৩০ বজাত বন্তিপ্ৰজ্বলন কৰি অংকীয়া নাটৰ শুভাৰম্ভ কৰে শুৱালকুছিৰ বিশিষ্ট সমাজকৰ্মী প্ৰাণজিত দাসে। উপস্থিত থাকে গন্ধমৌ গাঁও পঞ্চায়ৰ সভানেত্ৰী ৰিনা নাথ, সমাজকৰ্মী নাৰায়ণ নাথ, নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্য, শিক্ষক চক্ৰধৰ নাথ, যুৱ সমাজকৰ্মী চম্পক দাস। অনুষ্ঠানটো সম্পূৰ্ণভাৱে আত ধৰে সমাজকৰ্মী হৰগোবিন্দ নাথে। তাৰ পিছতে বলেন কুমাৰ দাসৰ ৰচনা আৰু পৰিচালনাৰে গুৰুজনাৰ অনবদ্য অংকীয়া নাট পত্নী প্ৰসাদ ৰ অসমীয়া নাট্য ৰূপ "বিপ্ৰপত্নী-প্ৰসাদ" একশৰণ হৰি নাম প্ৰচাৰ আৰু সাংস্কৃতিক দল, শুৱালকুছি প্ৰদৰ্শন কৰে। তৃতীয় দিনা পুৱা উষা কীৰ্ত্তন নাম প্ৰসংগ কৰি আৱেলি ৫ বজাত ধৰ্মধ্বজা অৱনমন কৰিব বুলি জনাইছে উদ্যোক্তা সকলে।

# টীয়কত দুৰ্ঘটনাত

মৃত্যুক সাবটি লোৱা সত্যেন্দ্ৰ মালাকাৰে গাঁওৰক্ষী বাহিনীৰ সভাপতি পৱন গগৈ, উপ-পৰিদৰ্শক মৰমী দাস, ৩গৰাকী কনিষ্টবল লগত লৈ নিশাৰ ভাগত জাঁজী নদীৰ বাঢ়নী পানীয়ে ছিগি নিয়া জাঁজী নদীৰ উত্তৰপাৰৰ ৰিংবান্ধ পৰিদৰ্শনৰ বাবে আহিছিল। প্ৰয়াত মালাকাৰৰ ঘৰ পাঠশালাত। প্ৰয়াত মালাকাৰে পত্নীসহ দুটি সন্তান ইহসংসাৰত এৰি গৈছে। আহতসকলক উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ নিশাই প্ৰেৰণ কৰে। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে।

# কংগ্ৰেছৰ সৈতে শ্যামকানুৰ

আমি নাজানো। যি সময়ত ৰাজ কমল পঞ্জাবত কংগ্ৰেছ নেতৃত্ব চৰকাৰৰ এডভোকেট জেনেৰেল আছিল, সেই সময়ত যিজন মুখ্যমন্ত্ৰী আছিল, তেওঁ আজি বিজেপি দলত আছে। কেপ্টেইন অমৰিন্দৰ সিং মুখ্যমন্ত্ৰী হৈ থকা কালত ৰাজ কমল ডেপুটি এডভোকেট জেনেৰেল আছিল। এতিয়া সেইজন মুখ্যমন্ত্ৰী বিজেপি দলত আছে। বিজেপি নেতাৰ গোচৰতো ৰাজ কমলে কাম কৰিছে। আমিও এনেধৰণৰ বহু অভিযোগ কৰিব পাৰো, কিন্তু কৰা নাই। আমি জুবিনদাৰ ন্যায়ৰ ক্ষেত্ৰত বোকা ছটিওৱা ৰাজনীতি কৰিব বিচৰা নাই। যিসকলে মানুহৰ মাজত বিভ্ৰান্তিকৰ বাতৰি প্ৰচাৰ কৰিছে তেওঁলোকৰহে ক্ষতি হ'ব, আমাৰ একো নহয়। আমাৰ দাবী স্পষ্ট, তদন্ত সোনকালে আৰু ভালদৰে হওক।' ইয়াৰ উপৰি জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ মূল অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাহঁতক ঘটনাৰ দিনাই গ্ৰেপ্তাৰ কৰিব লাগিছিল যদিও তেনে নকৰি গ্ৰেপ্তাৰত বহু পলম কৰিলে বুলি সমালোচনা কৰে গৌৰৱ গগৈয়ে। তেওঁ কয়,'শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাৰ গ্ৰেপ্তাৰত বহু পলম হোৱা বাবেই জুবিন অনুৰাগীসকল ৰাজপথলৈ ওলাই আহিবলৈ বাধ্য হৈছিল। বহু আৱেগিক জুবিন অনুৰাগীয়ে ৰাজপথলৈ ওলাই প্ৰতিবাদ কৰিলেও কোনো হিংসাৰ আশ্ৰয় লোৱা নাছিল। অথচ এইসকল অনুৰাগীৰে বহু অনুৰাগীক এনএছএ লগাই আৰক্ষীয়ে জে'লত ভৰাই থৈছে। ভিক্টৰ দাস, অজয় ফুকনহঁতে জুবিনদাৰ ন্যায় বিচাৰি ৰাজপথলৈ ওলাইছিল। গতিকে তেওঁলোকৰ ওপৰত আৰোপ কৰা এনএছএ উঠাই ল'ব লাগে।' আনহাতে, শ্যামকানু মহন্তহঁতক গ্ৰেপ্তাৰত পলম হোৱা বাবেই তথ্য-প্ৰমাণ নষ্ট কৰাৰো শংকা প্ৰকাশ কৰিছে গৌৰৱ গগৈয়ে। বিশেষকৈ জুবিন গাৰ্গৰ ম'বাইলটোও উদ্ধাৰ কৰিবলৈ বহু দিন সময় লোৱা বিষয়টোক সমালোচনা কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। ইফালে, আজি অসমৰ খন জিলা ক্ৰমে শিৱসাগৰ, নগাঁও আৰু শোণিতপুৰত ৰাইজৰ সহযোগত কংগ্ৰেছ নেতা-কৰ্মীসকলে জুবিনৰ হত্যাৰ ন্যায় প্ৰাপ্তিৰ বাবে মমবাতি জ্বলাই শান্তি সমদল কৰে। শিৱসাগৰ জিলাৰ এই সমদলত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ, বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই অংশগ্ৰহণ কৰে। কেইবাশ লোকৰ এই সমদলত ৰাইজে জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়িক আৰু উচিত তদন্তৰ দাবী কৰে। ইফালে, নগাঁও জিলাত আজি ৰাইজৰ সহযোগত মমবাতিজ্ব লাই শান্তি সমদল কৰা হয়। এই সমদলত সাংসদ ৰকিবুল হুছেইন আৰু প্ৰদ্যুৎ বৰদলৈয়ে অংশগ্ৰহণ কৰে। বিধায়ক শিৱামণি বৰা আৰু নুৰুল হুদাও সমদলত উপস্থিত থাকে। অনুৰূপ ধৰণে, শোণিতপুৰ জিলাতো জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰিপুন বৰাৰ নেতৃত্বত হাজাৰ হাজাৰ লোকে শান্তি সমদলত অংশগ্ৰহণ কৰে। শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতি কাৰ্তিক কুৰ্মীৰ তত্ত্বাৱধানত এই শান্তি সমদল অনুষ্ঠিত হয়। অহা ৪ অক্টোবৰ, শনিবাৰে চৰাইদেউ, হোজাই আৰু শিলচৰত মমবাতি জ্বলাই জাষ্টিচ ফ'ৰ জুবিন শ্ল'গানেৰে শান্তি সমদল উলিওৱা হ'ব। এই সমদলত অংশগ্ৰহণ কৰিব কংগ্ৰেছৰ একাংশ জ্যেষ্ঠ নেতা-কৰ্মীয়ে। ৫ অক্টোবৰত গোলাঘাট, বৰপেটা, বঙাইগাঁও, ৭ অক্টোবৰত কামৰূপ, ধেমাজি, মৰিগাঁও, ডিব্ৰুগড় আৰু বিশ্বনাথ চাৰিআলিত জুবিনৰ হত্যাৰ ন্যায় বিচাৰি শান্তি সমদল যাত্ৰা উলিওৱা হ'ব।

# জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত

১০৩নং ধাৰা সন্নিৱিষ্ট কৰিছে। আনুষ্ঠানিকভাৱে বৰ্তমানলৈকে এছআইটিয়ে এই সন্দৰ্ভত কোনোধৰণৰ তথ্য সংবাদ মাধ্যমক সদৰী কৰা নাই যদিও বিএনএছৰ গুৰুতৰ ধাৰাটো সন্নিৱিষ্ট হোৱাৰ লগে লগে প্ৰকৃততে শিল্পীগৰাকীৰ মৃত্যু যে স্বাভাৱিক নহয়, সেই সন্দৰ্ভত অসমবাসী ৰাইজ নিশ্চিত হৈছে। বিএনএছৰ উক্ত ধাৰাটো অনুসৰি যদিহে এগৰাকী অভিযুক্তই দোষী সাব্যস্ত হয় তেনেহ'লে এই ধাৰাৰ অধীনত যাৱজ্জীৱন কাৰাদণ্ড অথবা সৰ্বোচ্চশাস্তিৰূপে মৃত্যুদণ্ডৰে দণ্ডিত হোৱাৰ সম্ভাৱনা থাকে। তদন্তকাৰী সংস্থাটোৱে মন্তব্য নকৰিলেও প্ৰিয় শিল্পীগৰাকীৰ মৃত্যুক লৈ হত্যাকাণ্ডৰ শুংসূত্ৰ যে লাভ কৰা হৈছে, সেয়া স্পষ্ট হৈ পৰিছে। শিল্পীগৰাকীৰ মৃত্যুক লৈ শিল্পীগৰাকীৰ বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী আৰু সহযোগী শিল্পী অমৃতপ্ৰভা মহন্তক চতুৰ্থবাৰলৈ চলোৱা জেৰাৰ অন্তত শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত ৰুজু হোৱা ১৮/২৫ নম্বৰৰ গোচৰৰ অধীনত দুয়োজনক গ্ৰেপ্তাৰ কৰা হৈছে। এতিয়ালৈকে এই গোচৰটোৰ অধীনত মুঠ চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে এছআইটিয়ে। মন কৰিবলগীয়া যে শিল্পীগৰাকীৰ মৃত্যুৰ দুদিন পাছতে সামাজিক মাধ্যমত ভাইৰেল হোৱা হোৱাটছএপ বাৰ্তাত বাদ্যযন্ত্ৰী শেখৰ গোস্বামীয়ে বিষক্ৰিয়াৰ ফলত জুবিন গাৰ্গৰ মৃত্যু হোৱাৰ দৰে কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰিছিল। এছআইটিয়ে বাদ্যযন্ত্ৰী গোস্বামীৰ উক্ত বাৰ্তাসমূহক সমল হিচাপে লৈ তদন্ত আগবঢ়াই নিয়াৰ লগতে অভিনেত্ৰী নিশিতা গোস্বামী আৰু গায়িকা অমৃতপ্ৰভা মহন্তকো জেৰাত হাজিৰ হোৱাৰ বাবে চমন জাৰি কৰিছে। যোৱা ৩০ ছেপ্টেম্বৰত উদ্যোগপতি সঞ্জীৱ নাৰায়ণকো এছআইটিয়ে জেৰা চলায়। প্ৰায় ১০ ঘণ্টাজুৰি উদ্যোগপতিগৰাকীক চিআইডিৰ উলুবাৰীৰ মুখ্য কাৰ্যালয়ত এছআইটিৰ দলে মাৰাথন জেৰা চলায়। জেৰাৰ অন্তত সংবাদ মাধ্যমক সম্বোধন কৰি উদ্যোগপতি সঞ্জীৱ নাৰায়ণে কয় যে যদি কিবা ষড়যন্ত্ৰ হৈছে, তেওঁলোকে শাস্তি পাবই লাগিব। অৱহেলা কৰিলেও ইয়াৰ শাস্তি পাব লাগিব। কাৰণ তেওঁ আন কোনো নাছিল, জুবিন গাৰ্গ আছিল। গতিকে দোষীয়ে উপযুক্ত শাস্তি পাবই লাগিব। এছআইটিক সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিয়ে সঞ্জীৱ নাৰায়ণে। উল্লেখ্য যে ছিংগাপুৰত অনুষ্ঠিত নৰ্থ-ইষ্ট ফেষ্টিভেললৈ যোৱা দলটোৰ ভিতৰত অন্যতম আছিল উদ্যোগপতি সঞ্জীৱ নাৰায়ণ। আনহাতে শিল্পীগৰাকীৰ মৃত্যু সন্দৰ্ভত এছআইটিয়ে জাৰি কৰা চমনমৰ্মে চিআইডিৰ মুখ্য কাৰ্যালয়ত উপস্থিত হ'ল নৰ্থ-ইষ্ট ফেষ্টিভেলৰে জড়িত আন তিনিজন লোক ক্ৰমে নয়নজ্যোতি দাস, দীপজ্যোতি ৰায় আৰু ৰক্তিম ৰয়। তাৎপৰ্যপূৰ্ণভাৱে জেৰাত হাজিৰ হোৱা এই তিনিজন লোকৰ ভিতৰত ৰক্তিম ৰয় হৈছে শ্যামকানু মহন্তৰ অন্যতম ঘনিষ্ঠ লোক। ছিংগাপুৰত অনুষ্ঠিত নৰ্থ-ইষ্ট ফেষ্টিভেললৈও এইবাৰ গৈছিল ৰক্তিম ৰয়। সূত্ৰটোৰ মতে, শ্যামকানু মহন্তৰ সকলোবোৰ আৰ্থিক লেনেদেন কৰা ৰক্তিম ৰয়ৰ ওপৰত এইবাৰো নিয়োজিত হৈছিল নৰ্থ-ইষ্ট ফেষ্টিভেলৰ সকলো লেনদেনৰ গুৰুদায়িত্ব। শেহতীয়াকৈ চিআইডিয়ে দালাল শ্যামকানু মহন্তৰ বিত্তীয় জালিয়াতি সন্দৰ্ভত ১৯/২৫ নম্বৰত আন এটা গোচৰ ৰুজু কৰিছে। চিআইডিৰ শীৰ্ষ বিষয়া আছিফ আহমেদে শেহতীয়াকৈ শ্যামকানু মহন্তৰ ঘৰত চলোৱা তালাচী অভিযানৰ পাছতে জব্দ কৰা তথ্যসমূহৰ আধাৰতেই এই গোচৰ ৰুজু কৰা হৈছে। শ্যামকানু মহন্ত মালিকানাধীন ট্ৰেণ্ড এমএমএছ শীৰ্ষক কোম্পানীটোৰ নামত তদন্তকাৰী দলে জব্দ কৰিছিল দুখনকৈ পান কাৰ্ড। সাধাৰণতে একোটা কোম্পানীৰ নামত এখনহে পান কাৰ্ড বনাব পাৰি। কিন্তু চতুৰ শ্যামকানু মহন্তই কি শক্তিৰ বলত নিজৰ কোম্পানীৰ নামত দুখনকৈ পান কাৰ্ড উলিয়াই লুণ্ঠনৰাজ চলাইছিল সেয়াও আৰক্ষীয়ে তদন্ত কৰিব। চিআইডিৰ এই তদন্তৰ উপযুক্ত সমল ৰূপে বিবেচিত হ'ব ৰক্তিম ৰয়। কিয়নো ৰক্তিম ৰয়ে দালাল শ্যামকানুৰ সকলো বৈধ-অবৈধ আৰ্থিক লেনদেন কৰাৰ তথ্য ইতিমধ্যে এছআইটিয়ে লাভ কৰিছে।

# দ্বিতীয় মৰণোত্তৰ পৰীক্ষাৰ

বিশেষ তদন্তকাৰী গোটক কৰযোৰে অনুৰোধ জনাই তেওঁ আৰু কয় যে এতিয়া তদন্তত বহু কিবাকিবি কথা ওলাইছে। এই কথাবোৰ কিমান দূৰলৈ আৰু কেনেদৰে সত্য, কোন প্ৰকৃত দোষী সেয়া ওলাবই লাগিব। সেইদিনাখন তেওঁৰ সৈতে কি হৈছিল, আমি ভালকৈ জানিব বিচাৰোঁ। যদি কোনোবাই সঁচাকৈয়ে গুৰুতৰ অপৰাধ কৰিছে তাক কঠোৰৰ পৰা কঠোৰতম শাস্তি দিবই লাগিব। উল্লেখ্য যে এছআইটিৰ বিষয়া মৰমী দাসে প্ৰতিবেদনখন পৰিয়ালক দিয়াৰ লগতে কাহিলিপাৰাৰ বাসভৱনত শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰৰ ভাষ্যও সংগ্ৰহ কৰে। এই সন্দৰ্ভত গৰিমা শইকীয়া গাৰ্গে জানিবলৈ দিয়া মতে, শিল্পীগৰাকীক তেওঁ কেতিয়াৰ পৰা কেনেদৰে লগ পাইছিল আৰু তেওঁ কি ধৰণৰ বস্তু বেয়া পাইছিল, ভাল পাইছিল এই সকলোবোৰ কথা তদন্তকাৰী বিষয়াই সোধা-পোছা কৰে। একেধৰণে শিল্পীগৰাকীৰ ভগ্নী পামী বৰঠাকুৰকো শিল্পীগৰাকী সন্দৰ্ভত বিভিন্ন কথা সোধা-পোছা কৰে এছআইটিৰ বিষয়াগৰাকীয়ে। অৱশ্যে ভাষ্য গ্ৰহণৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এছআইটিৰ বিষয়া মৰমী দাসে কোনোধৰণৰ বিশেষ কথাৰ অৱতাৰণা নকৰাকৈ মাথোঁ কয় যে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনখন আমি তেওঁলোকৰ হাতত চমজাই দিলোঁ। গৰিমা শইকীয়া গাৰ্গ আৰু পামী বৰঠাকুৰৰ ভাষ্য লিপিবদ্ধ কৰা হৈছে। তদন্তৰ খাতিৰত আন বিষয়সমূহ প্ৰকাশৰ পৰা তেওঁ বিৰত থাকে।

# ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথম

১-০ৰ অগ্ৰগতি লাভ কৰিছে। কেৰিবিয়ান বাহিনীৰ প্ৰথম ইনিংছৰ ১৬২ ৰানৰ প্ৰত্যুত্তৰত কে এল ৰাহুলৰ ১০০, ধ্ৰুৱ জুৰেলৰ ১২৫ আৰু ৰবীন্দ্ৰ জাদেজাৰ অপৰাজিত ১০৪ তথা অধিনায়ক শুভমন গিলৰ ৫০ ৰানৰ সহায়ত ভাৰতে দ্বিতীয় দিনা ৫ উইকেটত কৰা ৪৪৮ ৰানত প্ৰথম ইনিংছ ঘোষণা কৰে আৰু ২৮৬ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। কেৰিবিয়ান বাহিনীয়ে দ্বিতীয় ইনিংছ মুকলি কৰিবলৈ আহি মহম্মদ চিৰাজ আৰু ৰবীন্দ্ৰ জাদেজাৰ বিধ্বংসী বলিঙৰ সন্মুখত বেটিং বিপৰ্যয় হৈ মাত্ৰ ১৪৬ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। চিৰাজ আৰু জাদেজাৰ দুৰ্দান্ত বলিঙৰ সন্মুখত কেৰিবিয়ান বাহিনীৰ কোনো এজন বেটাৰে ক্ৰিজত অধিক সময় তিষ্ঠিব নোৱাৰিলে। এলিক আথানেজে সৰ্বাধিক ৩৮ ৰানৰ অৰিহণা আগবঢ়ায়। দলীয় স্কʼৰ ১২ ৰানত টেগনাৰিন চন্দৰপলৰ ৰূপত দলটোৱে প্ৰথমটো উইকেট হেৰুৱায় আৰু ইয়াৰ পিছতে বিপৰ্যয়ৰ সন্মুখীন হয়। চন্দৰপলে ৮ ৰান কৰি বিদায় লোৱাৰ বিপৰীতে আনগৰাকী অʼপেনাৰ জন কেম্পবেলে ১৪ ৰানত পেভিলিয়নমুখী হয়। জাষ্টিন গ্ৰেভেছে ২৫, জয়ডেন ছিলছে ২২, জʼহান লেনেই ১৪ আৰু খেৰি পিয়েৰে অপৰাজিতভাৱে ১৩ ৰান কৰে। দলটোৰ পাঁচগৰাকী বেটাৰে দহকৰ ঘৰ স্পৰ্শ কৰাত ব্যৰ্থ হয়। ভাৰতীয় দলটোৰ হৈ ৰবীন্দ্ৰ জাদেজাই চাৰিটা, মহম্মদ চিৰাজে তিনিটা, কুলদীপ যাদৱে দুটা আৰু ৱাশ্বিংটন সুন্দৰে এটা উইকেট লাভ কৰে। টেষ্টখনত চিৰাজে মুঠ সাতটা উইকেট লাভ কৰে। ইফালে, প্ৰথম ইনিংছত অপৰাজিত শতকীয় ইনিংছ আৰু দ্বিতীয় ইনিংছত চাৰিটা উইকেট লাভ কৰা ৰবীন্দ্ৰ জাদেজাই টেষ্টখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্ট ১০ অক্টোবৰৰ পৰা নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত হʼব।

# অসম-নাগালেণ্ড সীমান্তত

নিশা ১১.৩০ বজাৰ পৰা প্ৰায় ১মান বজালৈকে গাঁওখনৰ সকলো ঘৰ জ্বলাই ছাৰখাৰ কৰে নগা দুৰ্বৃত্তই। অঞ্চলটোৰ বহু লোকৰ মালবাহী গাড়ী, মটৰচাইকেল, গৰু, ছাগলী আদি বহু জীৱ-জন্তু জুইত জাহ যায়। ঘটনাস্থলীত উদ্ধাৰ হৈছে কেইবাজাই গুলী, খালী কাৰ্টিজ। ঘটনাৰ লগত নাগালেণ্ডৰ বিদ্ৰোহী সংগঠন জড়িত থকাৰো সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। সকলো জ্বলাই প্ৰায় ডেৰ ঘণ্টা ধৰি তাণ্ডৱ চলাই শেষ কৰাৰ পিছত সেই স্থানৰ পৰা দুৰ্বৃত্তৰ দলটো আঁতৰি যোৱা পিছত চিআৰপিএফ আৰু প্ৰশাসনক খবৰ দিয়ে গঞা ৰাইজে। স্থানীয় ৰাইজে জনোৱা অনুসৰি জ্বলাই দিয়া গাঁওখনলৈ বহু সময় ধৰি নগাই যাবলৈ দিয়া নাছিল চিআৰপিএফৰ লগতে প্ৰশাসনৰ লোকক। পৰৱৰ্তী সময়ত ঘটনাস্থলীত নিশাই উপস্থিত হয় সৰুপথাৰ সমজিলাৰ সীমান্ত দণ্ডাধীশ প্ৰিয়মজ্যোতি ফুকন, সৰুপথাৰ ৰাজহ চক্ৰ বিষয়া মনোজ কুমাৰ দলে, চুঙাজান থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ হাতীমুৰীয়া। পুৰা গোলাঘাট জিলাৰ জিলা আয়ুক্ত পুলক মহন্ত, অপৰাধ অনুসন্ধান শাখাৰ অতিৰিক্ত আৰক্ষী বিষয়া জন দাস, গোলাঘাট জিলাৰ জ্যেষ্ঠ আৰক্ষী বিষয়া ৰাজেন সিঙৰ লগতে বহু প্ৰশাসনিক বিষয়া উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰে। সৰুপথাৰ সমষ্টিৰ বিধায়কগৰাকীও টেঙাতল গাঁৱত উপস্থিত হৈ দুৰ্গতসকলৰ বুজ লোৱাৰ উপৰি গোলাঘাট জিলা প্ৰশাসন, নিউলেণ্ড জিলা প্ৰশাসন আৰু চিআৰপিএফৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে বিশদভাৱে আলোচনা কৰে। আনহাতে ঘটনাৰ লগত জড়িত কোনো দুৰ্বৃত্ত যাতে বাচি যাব নোৱাৰে তাৰ বাবে দুয়োখন ৰাজ্যৰ প্ৰশাসনে যৌথভাৱে কাম-কাজ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# ফাঁচীবজাৰত ভয়ংকৰ অগ্নিকাণ্ড

মুঠ ৬জন লোক দোকানখনৰ ভিতৰতে থাকে। পুৱতিনিশা প্ৰায় ৩ বজাত একাংশ লোকে দোকানখনৰ ভিতৰৰ পৰা কʼলা ধোঁৱা ওলাই থকা প্ৰত্যক্ষ কৰে। লগে লগে স্থানীয় ৰাইজে আৰক্ষীক বিষয়টো অৱগত কৰে। আৰক্ষীয়ে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়া মাত্ৰকেই কেইবাখনো গাড়ীয়ে আহি জুই নুমুৱাবলৈ চেষ্টা কৰে। বহু প্ৰচেষ্টাৰ অন্তত অগ্নিনিৰ্বাপক বাহিনীয়ে আবদ্ধ হৈ থকা কৰ্মচাৰী ৬জনক উদ্ধাৰ কৰে। ছলমান কুৰেশ্বিক মৃত অৱস্থাত উদ্ধাৰ কৰাৰ লগতে আন ৫জন কৰ্মচাৰী ক্ৰমে উত্তৰ প্ৰদেশৰ নʼমান কুৰেশ্বি ওৰফে লাভলি, তাচিফ, মহম্মদ আৰিফ, চাৰিম কুৰেশ্বি আৰু ফাৰুক খানক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি উন্নত চিকিৎসাৰ বাবে হাস্পতাললৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে সদৰী কৰা মতে, অৰুণ কুৰেশ্বি নামৰ লোকজনৰ মালিকানাধীন দোকানখনত কৰ্তব্যৰত আটাইকেইগৰাকীয়ে আছিল মালিকৰ আত্মীয়। পুৱতি নিশা সংঘটিত ভয়ানক অগ্নিকাণ্ডৰ পাছতে সমগ্ৰ কোঠাটো ধোঁৱাই ছানি ধৰাৰ লগে লগে ভিতৰতে আবদ্ধ হৈ পৰে কৰ্মচাৰীকেইজন। মন কৰিবলগীয়া যে অগ্নিনিৰ্বাপক বাহিনীৰ কেইবাখনো গাড়ীয়ে অশেষ চেষ্টা কৰাৰ পাছত দিনৰ প্ৰায় ১ বজাতহে জুই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে মৃত ছলমান কুৰেশ্বিৰ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে জিএমচিএইচলৈ প্ৰেৰণ কৰে। অগ্নিকাণ্ডৰ সঠিক কাৰণ পোহৰলৈ অহা নাই যদিও বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ বাবে এই শোকাবহ ঘটনা সংঘটিত হোৱাৰ সন্দেহ কৰিছে আৰক্ষীয়ে।

# বিহু দিয়া বুলি শেখৰে

গোস্বামীয়ে শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাই ইচ্ছাকৃতভাৱে শিল্পীগৰাকীক বিহপান কৰোৱাই নহয়, এই ষড়যন্ত্ৰক সম্পূৰ্ণৰূপে অন্য ৰূপ দিবলৈ বিদেশী ৰাষ্ট্ৰৰ নিৰাপদস্থলী বাছি লোৱাৰ অভিযোগ তুলিছিল। সম্প্ৰতি সামাজিক মাধ্যমত ব্যাপকভাৱে চৰ্চিত হৈ থকা এই স্বীকাৰোক্তিনামাখনত শেখৰজ্যোতি গোস্বামীয়ে দিয়া স্বীকাৰোক্তিসমূহৰ কিমান সত্যতা আছে, তাক লৈ বিভিন্ন প্ৰশ্ন উত্থাপন হোৱাৰ সময়তে এই ঘটনা অৱগত হোৱাৰ পাছত গৰিমা শইকীয়া গাৰ্গে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কয় যে শেখৰে যদি জানিছিল, এই কথাটো কিয় ইমান দিনলৈ লুকুৱাই থৈছিল। এই মানুহজনক এনেকুৱা এটা অৱস্থালৈ নিবলগীয়া কিয় হʼল বুলি প্ৰশ্ন কৰি তেওঁ কয় যে মোৰ মানুহজনক মই হেৰুৱাইছোঁ। তেখেতক কেতিয়াও মই ঘুৰাই নাপাওঁ। কিন্তু তেওঁ উচিত ন্যায় পাবই লাগিব। শিল্পীগৰাকীৰ স্মৃতি সুঁৱৰি চকুলো টুকি গৰিমাই কয় যে তেওঁ অকল মৰম কৰিবহে জানিলে। তাৰ বাহিৰে একো নাই। মোকো শিকালে সকলোকে বিশ্বাস কৰিবলৈ। তেওঁ মোক কৈছিল- সকলোকে আমি নিজৰ বুলি আঁকোৱালি লʼবলৈ। এটা পৰিয়ালৰ দৰে সকলোকে নিজৰ ভাই-ককাই বুলি জ্ঞান কৰা জুবিনে মোক সদায় কৈছিল- আমি এটা বৃহৎ পৰিয়াল। সকলোৰে পৰিয়াল আছে। আমি তেওঁলোকৰ কথাও চিন্তা কৰিব লাগিব। ইমানখিনি সকলোৰে বাবে চিন্তা কৰাৰ পাছতো কিয় শিল্পীগৰাকীৰ সৈতে আপোন হৈ মানুহবোৰে এনে কাম কি কাৰণত কৰিলে বুলিও গৰিমা শইকীয়া গাৰ্গে আক্ষেপেৰে প্ৰকাশ কৰিলে। তেওঁ পুনৰ কয় যে সেই মানুহজন অকল মোৰ নাছিল। সকলোৰে আপোন মানুহ আছিল। নিজৰ সৰ্বস্ব দি সকলোকে ভাল পাইছিল। সেই মানুহজনৰ লগত মই অন্যায় কেতিয়াও হʼব দিব নোৱাৰোঁ। অন্ততঃ জুবিন গাৰ্গৰ ক্ষেত্ৰত যাতে কথাবোৰে অন্য ৰূপ নলয়, তাৰ বাবে তদন্ত ভালকৈ কৰিবলৈ অনুৰোধ-দাবী-প্ৰাৰ্থনা সকলো মই জনাইছোঁ।

# প্ৰথমবাৰলৈ জাপানত

ৰাজনীতিত প্ৰৱেশ কৰি উত্থানৰ মাজেদি, জাপানৰ প্ৰধানমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণৰ দিশে আগবাঢ়িছে ছানাই টাকাইছিয়ে। ৬৪ বছৰীয়া ছানাই টাকাইছিয়ে সকলো ঠিকে-ঠাকে থাকিলে চলিত মাহৰ মাজতেই বৰ্তমানৰ প্ৰধানমন্ত্ৰী শ্বিগেৰু ইচিবাৰ পৰা দায়িত্ব গ্ৰহণ কৰিব। জনতাৰ আস্থা, দেশৰ সুৰক্ষা, অৰ্থনৈতিক সমৃদ্ধিকে ধৰি বহুতো কঠিন প্ৰত্যাহ্বানৰ মাজত প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী হিচাপে ছানাই টাকাইছিৰ কাৰ্যকাল লক্ষণীয় হৈ পৰিব। প্ৰাক্তন ব্ৰিটিছ প্ৰধানমন্ত্ৰী মাৰ্গাৰেট থাছাৰক ৰোল মডেল হিচাপে লোৱা ছানাই টাকাইছিয়ে পুৰুষ তান্ত্ৰিক সমাজত নিজকে লৌহ মানৱী হিচাপে প্ৰতিষ্ঠা কৰিবলৈ কঠিন সময়ৰ সন্মুখীন হৈছিল। সম্প্ৰতি জাপানৰ ক্ষমতাধিষ্ঠিত লিবাৰেল ডেমʼক্ৰেটিক পাৰ্টী, চমুকৈ এলডিপিত টাকাইছিৰ সমকক্ষ কোনো নেতা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত দলীয় নিৰ্বাচনত টাকাইছিয়ে নিজ দলৰ দুই প্ৰতিদ্বন্দ্বীক সহজেই পৰাজিত কৰি জাপানৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হয়।

# এদিনীয়া ক্ৰিকেটৰ নতুন

দলটোক নেতৃত্ব দিব। উল্লেখ্য যে টীম ইণ্ডিয়াই অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন এদিনীয়া আৰু পাঁচখন টি-২০ মেচত ভাগ লʼব। এদিনীয়া শৃংখলাটো ১৯ অক্টোবৰৰ পৰা আৰু টি-২০ শৃংখলাটো ২৯ অক্টোবৰৰ আৰম্ভ হʼব। ঘোষিত এদিনীয়া দলটো হʼল- শুভমন গিল, শ্ৰেয়াছ আয়াৰ, ৰোহিত শৰ্মা, বিৰাট কোহলি, অক্ষৰ পেটেল, লোকেশ ৰাহুল, নীতিশ কুমাৰ ৰেড্ডী, ৱাশ্বিংটন সুন্দৰ, কুলদীপ যাদৱ, হৰ্ষিত ৰানা, মহম্মদ চিৰাজ, অৰ্শদীপ সিং, প্ৰসিদ্ধ কৃষ্ণ, ধ্ৰুৱ জুৰেল আৰু যশস্বী জয়ছোৱাল। টি-২০ দলটো হʼল-সূৰ্যকুমাৰ যাদৱ, অভিষেক শৰ্মা, শুভমন গিল, তিলক বাৰ্মা, নীতিশ কুমাৰ ৰেড্ডী, শিৱম ডুবে, অক্ষৰ পেটেল, জিতেশ শৰ্মা, বৰুণ চক্ৰৱৰ্তী, যশপ্ৰীত বুমৰাহ, অৰ্শদীপ সিং, কুলদীপ যাদৱ, হৰ্ষিত ৰানা, সঞ্জু ছেমছন, ৰিংকু সিং আৰু ৱাশিংটন সুন্দৰ।

# পাকিস্তানক সকীয়নি

বিকানেৰৰ মিলিটাৰী ষ্টেচনত পাকিস্তানৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ সেনাক সজাগ হৈ থাকিবলৈও আহ্বান জনায় জেনেৰেল দ্বিবেদীয়ে। উল্লেখ্য যে বিকানেৰৰ মিলিটাৰী ষ্টেচনত জেনেৰেল দ্বিবেদীয়ে অপাৰেচন সেন্দুৰ ১.০ত অসাধাৰণ বীৰত্ব প্ৰদৰ্শনৰ বাবে তিনিজন সেনা বিষয়াক বিশেষভাৱে সন্মান জনায়। এই অনুষ্ঠানত বি এছ এফৰ ১৪০ নং বেটেলিয়নৰ কমাণ্ডেণ্ট প্ৰভাকৰ সিং, ৰাজপুতনা ৰাইফলছৰ মেজৰ ৰিতেশ কুমাৰ, আৰু হাবিলদাৰ মোহিত গেৰাক সম্বৰ্ধনা জনোৱা হয়।

## ENGLISH NEWS SECTION

# Governor pays tributes to Mahatma Gandhi and Lal Bahadur Shastri on their birth anniversary



Guwahati,RB News: On the occasion of Gandhi Jayanti, Assam Governor Shri Lakshman Prasad Acharya took part in a cleanliness drive at Solapara areas in Paltan bazar here today. He also interacted with the sanitation workers and distributed among them plant saplings, sweets etc. On the occasion, the Governor paid solemn tributes to the Father of the Nation Mahatma Gandhi and former Prime Minister Lal Bahadur Shastri at Mahamaya Than, Solapara. He offered floral tributes to both the souls whose ideals continue to guide the nation even. While taking stock of the living conditions of the safai karmis, the Governor enquired about the facilities made available to them including access to safe drinking water, education, and other welfare measures. He also appreciated their contribution to society. Speaking on the occasion , the Governor said that Swachhata is not only a national mission but also the dream of Mahatma Gandhi. He emphasized that voluntary participation in keeping one's surroundings clean can uplift society and eliminate health and hygiene-related issues. He, on the occasion called upon everyone to reaffirm their commitment to building a clean and beautiful Assam.

## Governor attends 75th Assam Police Day




Guwahati,RB News: Assam Governor Shri Lakshman Prasad Acharya attended the 75th Assam Police Day celebrations held at the 1st Assam Commando Batallion at Mandakata. The occasion has been celebrated to mark a momentous milestone of the illustrious journey of Assam Police. Addressing the gathering, the Governor extended heartfelt congratulations and best wishes to all officers, personnel, and their families on the platinum jubilee of the force. Describing the day as both a celebration and a reaffirmation of the commitment to law and order, justice, and public safety, Shri Acharya expressed deep happiness while taking the salute at the grand ceremonial parade. "The precision, discipline, and coordination displayed by the jawans are a true reflection of the dedication, training, and courage of our police personnel," he remarked. Highlighting Assam Police's distinct identity, the Governor praised its indomitable courage, unmatched resolve, and people-centric approach. He paid solemn tribute to the brave officers and jawans who made the supreme sacrifice in the line of duty, acknowledging the profound contribution of their families to the nation.

## India squad for T20I series against Australia announced



RB News: The BCCI on Saturday announced Team India's squad for the T20I series against Australia. Suryakumar Yadav will lead the squad, with Shubman Gill to continue as his deputy. The squad features Washington Sundar, Arshdeep Singh, Tilak Varma, Nitish Kumar Reddy and Varun Chakaravarthy. The five-match series will begin on October 29.

## Dhruv Jurel hits maiden Test hundred




RB News: Team India wicketkeeper-batter Dhruv Jurel hit his maiden Test hundred during India's first inning in the first Test against West Indies in Ahmedabad. The 24-year-old wicket-keeper-batter reached 103* off 190 balls after hitting a boundary off West Indies skipper Roston Chase on Friday (October 3). He then celebrated the hundred by paying tribute to his father Nem Chand, who is a retired Havildar of Indian Army.

## Namibia beat Tanzania to qualify for T20 World Cup 2026




RB News: Namibia delivered a stellar performance against Tanzania in the first semi-final of ICC Men's T20 World Cup Africa Region Final on October 2. With this win, Namibia advanced to the final of the qualifiers, securing their fourth consecutive T20 World Cup appearance. JJ Smit shone once again, following his stellar batting display with an equally impressive effort with the ball.

## Mirabai Chanu wins silver medal at World Weightlifting Championships



RB News: Olympic silver medal-winning Indian weightlifter Mirabai Chanu bagged silver medal in the women's 48-kg event at the World Weightlifting Championships 2025. The 31-year-old lifted a total of 199 kg, with 84 kg in snatch and 115 kg in clean and jerk. She has now won three medals in the history of World Weightlifting Championships, including one gold and two silvers.

# শংকৰোৎসৱ আৰু দূৰ্গোৎসৱত ভক্তি ভাৱৰ বুলনী

আগমন ঘটে।


এইবাৰ ২১ ছেপ্তেম্বৰ দেওবাৰৰ দিনা মৰ্ত্যলৈ নামি আহিব দেৱী মা', দেৱীমাক ধৰা লৈ আমন্ত্ৰণ জনাৱা প্ৰৰ্থনাটোৱে হৈছে মহালয়া ।মহালয়া সংস্কৃত অৰ্থ হৈছে "মহা" মানে "মহান" "লয়" মানে "আলয়" বা "মহান আশ্ৰয়" আন এক দাৰ্শনিক মত অনুসৰী "মহা" মানে "পৰম" আৰু "লয়" মানে "বিলিন" হোৱা কিছুমানে "লয়" মানে "তৰঙ্গ" বুলিও অভিহিত কৰে। অৰ্থাৎ যৰ পৰা আকৰ্ষণ - বিকৰ্ষণ সৃষ্টি হয়। যি পৰম তত্বৰ পৰা সকলো তত্ব সৃষ্টি হয়। যত সকলো বিলীন হৈ যায়।

প্ৰৱাদ মতে মহালয়াৰ বিশেষ দিনটোতে শুভশক্তিৰ আগমন ঘটাই । এই দিনটোত দেৱীৰ সংস্পৰ্শ লাভ কৰিলে সকলো অশুভ শক্তিৰ বিনাস হয় বুলি লোক সকলৰ মাজত বিশ্বাস আছে।

হিন্দু ধৰ্মৰ পৌৰাণিক কাহিনী অনুসৰী মহালয়াৰ এই দিনটোতে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰে লগ হৈ অসুৰ মহিষাসুৰক বধ কৰিবলৈ দেৱী দুৰ্গাক সৃষ্টি কৰিছিল বুলি বিশ্বাস কৰা হয় ।সাধাৰণতে মহালয়াৰ সেই দিন টোৰ পৰাই দুৰ্গাপূজাৰ আৰম্ভনী বুলি ধৰা হয়। সপ্তম দিনা পুজা আৰম্ভ কৰি দশম দিনা পুজা শেষ কৰা হয়। সেয়ে ভক্ত গনে এই ন দিন উপবাসে থাকি দেৱী মাৰ নটা ৰূপক পুজা কৰে।

দেৱী দুৰ্গা মায়ে তেওঁৰ সন্তান লক্ষ্মী, সৰস্বতী, কাৰ্তিক আৰু গণেশৰ সৈতে নাওঁ, হাতী, ঘোৰা অথবা দোলাত কৈলাশৰ পৰা ধৰা লৈ আহি অসুৰ মহিষাসুৰক বধ কৰি পৃথিৱীত থকা তেওঁৰ ভক্তগনক আৰ্শিবাদ প্ৰদান কৰিছিল। সেয়েহে এই মহালয়াৰ দিনটোত ভক্তগনে পুৱাতে উঠি দেৱী দুৰ্গামাক উপাসনা কৰে বুলি বিশ্বাস কৰা হয়।

দুৰ্গোৎসৱ, ধৰালৈ দেৱী মাৰ আগমণ, অসূয়া, অমঙ্গল, নাসী দুষ্টক দমন কৰিবলৈ পৃথিৱীত সুখ শান্তীৰ কামনাৰে আহিন মাহৰ শুক্লপক্ষত প্ৰতিপদৰ পৰা দশমী লৈকে এই উৎসৱ পালন কৰা হয় এই ন দিন একে ধাৰে নৱৰাত্ৰি বুলি অভিহিত কৰা হয় যদিও ষষ্ঠিৰ দিনা বেল বৰণৰ পিছৰ পৰা পুজা আৰ্চণা কৰি দেৱীৰ চৰণত প্ৰণিপাত জনাই নিজৰ ঘৰৰ পৰিয়ালৰ লগতে দেশ বাসীৰ আটাইৰে দেহ, মন, বুদ্ধি, ক্ষমতা আৰু শান্তি অতুত ৰাখিবলৈ মাৰ চৰণত শৰণ লৈ ধূপ চাকি জ্বলাই ভক্তি ভাৱে প্ৰৰ্থনা জনাই চাৰিও দিখে ভক্তৰে মুখৰিত হয় সেই কেইদিনত আকাশ বতাহ সকলোতে কেৱল মাৰ আৰাধনাত ব্যষ্ট হয় ।

অসম বাৰ্তা ছাবস্ক্ৰাইব কৰিবলৈ ৭৬৩৬৮৩৪৯৪৩ ত Assam লিখি ৱাটছএপ কৰক



ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৱা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286

# বৈচিত্ৰময় শৰৎ আৰু আজি অসমবাসীৰ অনুভৱ

জুনুকা পাঠক,
বৰপেটা



ভৌগোলিক অৱস্থান পৰ্য্যবেক্ষণ কৰি জলবায়ু আৰু জৈৱ-বৈশিষ্ট্যৰ পৰিবৰ্তন অনুসৰি বছৰৰ ছয়টা ঋতু পাওঁ ।"শৰৎ" (Autumn season) ঋতু প্ৰকৃতিক চঞ্চল, প্ৰাণাচুৰ্য্য কৰি তোলে। সেউজীয়াৰে চহকী, নদন-বদন ।এই ঋতু প্ৰকৃতিৰ স্বচ্ছ আৰু জীৱকুলৰ মানস দাপোন। আহিনে আনে শৰৎ নে শৰৎ আহিনৰ বাবে আহে? যি কি নহওক; শৰৎ ধৰিত্ৰীৰ অনিন্দিতা ৰূপহী, প্ৰকৃতিৰ মনোমোহা শাৰদীয় ৰাণী । আহিন মানে শৰৎ বুলি ক'ব খুজিলেও, দৰাচলতে আমি ভাদৰৰ শেষৰ পৰা কাতি মাহৰ শেষলৈকে শৰৎ ঋতু হয় বুলি জানো । ৫৭৫ বছৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে শৰতৰ নিখুত আলেখ্য এখনিৰ সুন্দৰ বৰ্ণনা দি গৈছে । দুলড়ী ছন্দত ৰচিত "শৰৎ বৰ্ণনা" পঢ়িলে ভৰ যৌৱনা প্ৰকৃতিৰ নিৰ্মল ক্লেদমুক্ত মনোৰম ছবি এখন মানস পটত ভাহি আহে।

"শৰৎ বৰ্ণনা" ত গুৰুজনে প্ৰাণ ঢালি লিখিছে....

শৰৎ কালৰ য'ত মহাগুণ
সবেয়ো বিদিত ভৈল।।

ধৰিত্ৰীৰ সন্মোহিনী ৰূপৰেখা এই ঋতুতে পৰিবেষ্টিত হয়।

তেওঁ শৰতক লৈ ব্যাকুল হৈছিল....

গগণ নিৰ্মল স্বচ্ছ ভৈল জল
দুৰ গৈল মেঘগণ।
মহা সুখকৰ সুৰভি শীতল
বহে বায়ু সৰ্বক্ষণ।।

বাৰিষাত জীৱন বিপদাপন্ন কৰি অতিষ্ঠ কৰা বোকাময় গুচি মসৃণ হ'ল সেউজীয়া আলি পথাৰ। অনবৰত বাৰিষাৰ আকাশত ওন্দোলাই থকা কলিয়া ডাৱৰবোৰ আতৰি গ'ল।

নীলাৰ মাজত টুকুৰা-টুকুৰ আলসুৱা ডাৱৰৰ খেলা চকা-মকা লুকা-চুৰি ।

শৰৎ তুলনাবিহীন,
কি যে মনমোহিনী অপৰূপ
শুভ্ৰ যামিনী
জোনাকৰ ফৰকাল ৰাতি
প্ৰশান্তিৰ অনুৰণিত বাঁহী।

এবাৰ সকলোৰে মন যায় জোনাকত গলিবলৈ। কবি, সাহিত্যিকৰ জোনাকৰ উপকূলত সৃষ্টিৰ সমল শৰতেই।

বতৰ আৰু সময়ৰ তাৰতম্য এই ঋতুৰ উল্লেখনীয় আৰু মন কৰিবলগীয়া প্ৰধান বৈশিষ্ট্য । দিন চুটি আৰু ৰাতি দীঘল হয়। লাহে লাহে গ্ৰীষ্মৰ উত্তাপ প্ৰশমিত হৈ আহে, পৃথিৱী হৈ পৰে শান্ত সমাহিত। শীতল বতাহৰ বাবে আমি ৰাতি মৃদু ঠাণ্ডা অনুভৱ কৰো। প্ৰকৃতি ধোৱাই পেলায় নিয়ৰৰ আগমনে। নিয়ৰৰ শব্দত পুৱতি চৰাইৰ কাকলিৰ মাদকতা, বন- দুবৰীত নিয়ৰৰ টোপাল সৰে। গোটেই ৰাতি কুৱলিৰ আলিংগনত মৌন হৈ পৰে বন বিৰিখ। শৰৎ মানেই শেৱালী ফুলাৰ সময়।

প্ৰকৃতি সুন্দৰলৈ পৰিবৰ্তন । ফল ফুলে গছ জাতিষ্কাৰ হয়। পাত সৰিবলৈ ধৰে আৰু বৰণ সলনি হয়। শইচে গেঁৰ দি ঠন ধৰি উঠে। স্বচ্ছ পানীত পদুমে পাহি মেলে। গছৰ ডালত চৰাইৰ অমিয়া সুৰে শিল্পী সত্তাৰ প্ৰাণত ন ন কাব্যৰসে অনুশীলন কৰে। দিহিঙে- দিপাঙে, নৈপৰীয়া বতাহ জাকত মন অশান্ত কৰি কহুৱা হালিছে। আকাশ যেনিবা কহুৱাৰ বুকুত এবাগৰ মাৰিবলৈ হাউলি পৰিছে। শৰৎ দুখ হৰণকাৰী উপকৰণ.... সুধাকণ্ঠ ড° ভূপেন হাজৰীকাৰ গীতৰ কথাৰে..

"কহুৱা বন অশান্ত মন আলফুল
হাতেৰে লোৱা সাবতি।"

শৰতক লৈ তেওঁৰ উৎকণ্ঠা শেষ হোৱা নাছিল ---

"শাৰদী ৰাণী তোমাৰ হেনো
নাম, তুমি মোৰ নিচেই আপোন
সদ্যস্নাতা ৰূপহী মোৰ পুৱতি
নিশাৰ সপোন।"

সঁচা শৰৎ পুৱতি দেখা সপোনৰ দৰেই চমকৃত সজল দাপোন। শৰতক কয় হেনো শাৰদীয় ৰাণী বুলি । নভো-মণ্ডলত শৰালীস্তস্ত জাকৰ উৰি যোৱা নান্দনিক দৃশ্যত মন কল্পলোকত উৰে। আৰু আমাৰ নঙলা মুখত বকুল জুপিয়ো জোনাকৰ পখীৰ দৰে ফুলি উঠে... হিৰুদাই লিখিছিল---

"বকুল ফুলৰ দৰে জোনাকৰ
পখী উৰে।"

শৰতৰ মহিমাৰ কথা শেষ কৰিব নোৱাৰি ।অপাৰ সম্ভাৰ,। আনহাতে আধ্যাত্মিক চিন্তাকৰ্ষণেও ধৰ্মীয় দিশৰ শোচনা আনে । বিশ্বকৰ্মা পূজাৰ পৰা শাৰদীয় উৎসৱসমূহৰ যাত্ৰা আৰম্ভ হয় । আদিশক্তি দুৰ্গতিনাশিনী দুৰ্গা পূজা, লক্ষ্মী পূজা, শ্যামা পূজা, ৰাস উৎসৱ, পোহৰৰ উৎসৱ দীপাৱলী, আৰু কাতি বিহু । আমাৰ সকলোৰে জ্ঞাত যে জীৱকুল সৌন্দৰ্য্যৰ প্ৰতি অধিক আকৰ্ষিত হয়। প্ৰকৃতাৰ্থত এই মোহনীয় ঋতু নৰ-নাৰী, জীৱকুলৰ মাজত প্ৰেমৰ সঞ্চাৰিত মাধ্যম বুলিও ক'ব পাৰি । পৌৰাণিক আখ্যান মতে, শৰতৰ পূৰ্ণিমা ৰাতি পূৰ্ণ শশীৰ মোহছন্ন ৰূপত জগতৰ হৰিৰো মন বিচলিত হৈছিল । পূৰ্ণিমাৰ স্নিগ্ধ জ্যোৎস্নাত বিমোহিত কানাইৰ .... " ৰাসক্ৰিড়া কৰিতে ভৈল মন।" আধ্যাত্মিক দৃষ্টি-কোণৰ পৰা অৱশ্যে ৰাসক্ৰিড়া ভক্তিৰসৰ কেলি বুলি কোৱা হয়। পূৰ্ণিমাৰ ৰাতি পুণ্যাত্মা পৰমাত্মাৰ লগত বিলীন হ'বলৈ অৰ্থাৎ নিৰ্গুণ পৰম ব্ৰহ্ম ঈশ্বৰত্ব লাভ কৰা হেতুকে য'ত গোপী ত'ত কৃষ্ণৰ সতে কৰা কেলিয়ে হ'ল ৰাসলীলা । সেয়ে পূৰ্ণিমাৰ ৰাতি শ্ৰী কৃষ্ণই গোপীসবক লৈ ৰাধাৰ সতে যমুনাৰ পাৰত ৰাস কেলি কৰিছিল। সেই গতিকে শৰৎ আধ্যাত্মিক দৃষ্টিত অনন্য ঐশ্বৰিক মাধ্যম।

এই ঋতুৰ ওচৰত আমি কম বেছি পৰিমাণে ধৰুৱা। মহান ব্যক্তিসকলক আমাৰ মাজলৈ আনিছে। জগতৰ গুৰু শ্ৰীমন্ত শংকৰদেৱৰ আহিন মাহৰ অসম মুলুকত আবিৰ্ভাৱ হৈছিল। চলিত বৰ্ষত কিংবদন্তি হোৱা অসমৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ উপজি মাকৰ কোলা শুৱনি কৰিছিল শৰৎ ঋতুত। লগত আনিছিল অপৰিসীম জ্ঞান।

অহা মানে নোযোৱা নুবুজায়। আৰম্ভণী মানে শেষ নোহোৱা বুলি নুবুজায়। অৱশ্যে শেষ মানে আৰম্ভ হয় নে নহয় নিৰ্ভৰ কৰে সৃষ্টি কৰ্তাৰ ওপৰত। ঋতু আহিব আৰু যাব । এয়া বিধাতাৰ চক্ৰ। কিছু সুখ কিছু দুখ।আমি মাত্ৰ আহ-যা- সোতৰ সাক্ষী।

এইবাৰ শৰতক খুব বেয়া পালো। আগতেও পাইছিলো যেতিয়া সুধাকণ্ঠ ড° ভূপেন হাজৰিকা এই ঋতুতে পৃথিৱীক কন্দুৱাই স্বৰ্গগামী হৈছিল। এতিয়া হিয়াৰ কোনোবাখিনিত আজিও ঋতুটোৰ স্মৃতিচাৰণ কৰি দুখৰ এজোলোকা চকুপানী ওলায়। কেতিয়াবা শৰতক জাউৰিয়ে জাউৰিয়ে গালি দিবৰ মন যায়। ইমানবোৰ নান্দনিক প্ৰাচুৰ্য ঢালি দিয়াৰ পিছত আকৌ কিয় প্ৰাণৰ সম্পদবোৰ আজুৰি নিয়ে। -- বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰীৰ লেখিয়া হ'ল চলিত শাৰদীয় দিনসমূহ । যি ঋতুক আমি সুন্দৰতম শ্ৰেষ্ঠ বুলি ভাবো, সেই ঋতুয়ে যদি দলিয়াই দিয়ে গীতৰ সত্তাক, কেনেকৈ আমি তাক আত্মাত বন্দি কৰিব পাৰো? প্ৰশ্নবোৰ উলতি পুনৰ শেল হৈ বুকু বিন্ধে । কেতিয়াবা যদি শৰৎ অলকানন্দাৰ জলছবি আৰু কোনো পৰত জলদস্যু। জলদস্যুয়ে সূৰ্য্য কণ্ঠ জুবিন গাৰ্গক কাঢ়ি নি শৰতৰ পূৰ্ণিমাৰ জোনাকক নটশিৰ কৰিলে লজ্জিত কৰিলে। **আগলৈ...**

## বগা ফুল

**অভিজিত বৰা**



মোৰ হৃদয়ৰ পদুলিত
কেতিয়াবাই ৰুৱা আছিল নাহৰ
শেৱালী
কিন্তু জেওৰা বা কাটা তাৰৰ
নাছিল বেৰা
নাছিল ছাগলী গৰুৰে কোমল পাত খোৱাৰ
ভয় ।
হৃদয়ৰ নাহৰ জোপাৰ কোমল বতাহত
জিৰণী লোৱা সময় যেতিয়া আহিব ধৰিলে
মোক কিয় আতৰাই আনিব খুজিলা
তুমি ।
শেৱালী ৰ কোমল পাহি হাতত লোৱাৰ
হেঁপাহ কিন্তু ৰায় দিয়া জনৰ কাৰনে ন্যায়
বিচাৰিব লগা হল
বনৰ মাজত বাঘ বুঢ়া হ'ল
গাওঁত শিয়ালৰ উৎপাতত হ'ল
এটা সুৰীয়া যুগ শেষ হৈ গ'ল ।

## ঘৰে ঘৰে

৬° বাবুলাল মোৰ,
বোকাখাত



ঘৰে ঘৰে জীৱন
ঘৰে ঘৰে জুবিন
ঘৰে ঘৰে মোৰ আই
ঘৰে ঘৰে মোৰ আই ।